Content includes AI-generated material


**গুৱাহাটীত জালত পৰিল ২ চোৰৰ গেং**

ই-সংবাদ, ২১ জানুৱাৰীঃ বিগত ২৪ ঘণ্টাৰ ভিতৰত গুৱাহাটীত মহানগৰ আৰক্ষীয়ে দুটাকৈ সফল ৫ পৃষ্ঠাত



www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, JANUARY 22, 2025 ■ বুধবাৰ, ৮ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২৬ Guwahati, Assam ।। মূল্যঃ এটকা


## ফেচবুকত বিধায়ক পদ্মৰ স্পষ্টীকৰণ

ই-সংবাদ, ২১ জানুৱাৰীঃ সময়ে সময়ে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা ৪ পৃষ্ঠাত চাওক

## সোণাৰিত হঠাৎ বিস্ফোৰণ আহত এজন

ই-সংবাদ, সোণাৰি, ২১ জানুৱাৰীঃ গণৰাজ্য দিৱসৰ প্ৰাক্কক্ষণত আজি চৰাইদেউ জিলাৰ ন্যায়িক আদালতৰ ৪ পৃষ্ঠাত চাওক

## ৰাজ্যত অব্যাহত ভয়-ভাবুকিৰে সাংবাদিকৰ মুখ বন্ধ কৰাৰ অপচেষ্টা

# ‘বাতৰি কৰাৰ অপৰাধ’ত সাংবাদিকক গ্ৰেপ্তাৰ, প্ৰতিক্ৰিয়া



**চতিয়া সমষ্টিৰ বিধায়কৰ পত্নীৰ বাহন দুৰ্ঘটনাত পতিত হোৱাৰ বাতৰি কৰিছিল বিশ্বনাথৰ স্থানীয় সাংবাদিক আবুল মজিনে**

ই-সংবাদ, ২১ জানুৱাৰীঃ দেশত গণতন্ত্ৰ হত্যা আৰু সংবিধানক অৱমাননা কৰি বিজেপি দলে চৰকাৰ চলাই থকা বুলি বিৰোধীয়ে বাৰে বাৰে অভিযোগ কৰি অহাৰ মাজেত অসমত পুনৰ এগৰাকী সাংবাদিকক ‘বাতৰি কৰাৰ অপৰাধ’ত গ্ৰেপ্তাৰ কৰা হৈছে। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ ৩ পৃষ্ঠাত চাওক




গ্ৰেপ্তাৰৰ বিৰুদ্ধে সাংবাদিকৰ অৱস্থান ধৰ্মঘট


ROYAL CONSTRUCTION

MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES

FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39


### বীৰ ৰাঘৱ মৰাণক অপমান চৰকাৰৰ, ছাত্ৰ-ছাত্ৰীক দিলে ৰামঠগন

# অসাৰ প্ৰতিপন্ন হ’ল মুখ্যমন্ত্ৰীয়ে ৰাইজক দিয়া প্ৰতিশ্ৰুতি! ডেৰ বছৰ পিছতো নিৰ্মাণ হৈ নুঠিল কলেজ



ই-সংবাদ, ডুমডুমা, ২০ জানুৱাৰীঃ একপ্ৰকাৰ অনিশ্চয়তাৰ দিশে গতি কৰিছে ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ স্থায়ী নিৰ্মাণকাৰ্য। বহু প্ৰতীক্ষিত তথা ডুমডুমাবাসীৰ আৱেগ-অনুভূতিৰ সৈতে বিজড়িত ডুমডুমা বি আৰ শেষাংশ ২ পৃষ্ঠাত

# কোৰিয়াৰ পৰা জাপান পালে মুখ্যমন্ত্ৰী

ই-সংবাদ বিশেষ, ২১ জানুৱাৰীঃ গুৱাহাটীত অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ’বলগীয়া এডভান্টেজ আছাম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ প্ৰাকমুহূৰ্তত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দক্ষিণ কোৰিয়া ভ্ৰমণৰ তৃতীয় তথা অন্তিম দিনটোত দক্ষিণ কোৰিয়াৰ উদ্যোগপতি-বিষয়াসকলৰ সৈতে কেইবাখনো বৈঠকত অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে এডভান্টেজ অসম ২.০ হ’ব অসমৰ সৈতে বহিঃৰাষ্ট্ৰৰ সু-সম্পৰ্কৰ শেষাংশ ৫ পৃষ্ঠাত

## তুৰস্কত ৰিজৰ্টত জুই, নিহত ৬৬

আংকাৰা, ২১ জানুৱাৰীঃ তুৰস্কৰ এখন স্কি ৰিজৰ্টত সংঘটিত হোৱা ভয়াবহ অগ্নিকাণ্ডই নমাই আনে মৃত্যুৰ বিভীষিকা। এই ভয়ংকৰ অগ্নিকাণ্ডত শেষাংশ ৪ পৃষ্ঠাত



দক্ষিণ কোৰিয়াৰ ছিউলৰ পাংগ্য’ টেকন’ ভেলীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

### পাঁচ দিনৰ অন্তত হ’ল সুস্থ

## ঘৰলৈ গ’ল ছইফ আলী খান

মুম্বাই, ২১ জানুৱাৰীঃ পাঁচ দিন চিকিৎসাধীন হৈ থাকি সুস্থ হৈ অৱশেষত ঘৰলৈ উভতিল বলিউডৰ অভিনেতা ছইফ আলী খান। নিজ বাসগৃহত চুৰিৰ অভিসন্ধিৰে শেষাংশ ২ পৃষ্ঠাত

## আমেৰিকাত বিপদত ভাৰতীয়

নিউয়ৰ্ক, ২১ জানুৱাৰীঃ ডোনাল্ড ট্ৰাম্পৰ মছনদ দখলৰ পিছতে আমেৰিকৰ অনুপ্ৰৱেশকাৰীসকলৰ মাজত সৃষ্টি হৈছে ভয় আৰু উদ্বেগৰ পৰিস্থিতি। শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘৰলৈ গ'ল ছইফ আলী খান

প্ৰৱেশ কৰা দুৰ্বৃত্তৰ ছুৰীকাঘাতত আঘাতপ্ৰাপ্ত হৈছিল অভিনেতাগৰাকী। বিগত ৫ দিন ধৰি মুম্বাইৰ লীলাৱতী হাস্পতালত চিকিৎসাধীন হৈ থকাৰ পিছত মঙলবাৰে তেওঁক ঘৰলৈ আহিবলৈ অনুমতি দিয়ে চিকিৎসকে। ইয়াৰ পিছতে পত্নী কৰিনা কাপুৰৰ সৈতে বান্দ্ৰাস্থিত এপাৰ্টমেণ্টলৈ আহে ছইফ। অভিনেতাগৰাকী সম্পূৰ্ণ সুস্থ হৈ উঠিবলৈ কিছুদিনৰ বাবে জিৰণি ল'বলৈ পৰামৰ্শ দিছে চিকিৎসকে। ইফালে ছইফৰ এপাৰ্টমেণ্টত এতিয়া নিৰাপত্তা বৃদ্ধি কৰা হৈছে। উল্লেখ্য যে, যোৱা ১৫ জানুৱাৰীৰ নিশা শ্বৰিফুল ইছলাম শ্বাহিদ মহম্মদ ৰোহিল্লা আমিন ফকিৰ ওৰফে বিজয় দাস নামৰ এজন সন্দেহযুক্ত বাংলাদেশীয়ে প্ৰৱেশ কৰিছিল ছইফৰ বাসগৃহত। সেই দুৰ্বৃত্তৰ আক্ৰমণতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল ৫৪ বৰ্ষীয় অভিনেতাগৰাকী। লগে লগে লীলাৱতী হাস্পতালত ভৰ্তি কৰোৱা ছইফৰ ৰাজহাড়ৰ অস্ত্ৰোপচাৰ কৰি চিকিৎসকে বাহিৰ কৰিছিল আঢ়ৈ ইঞ্চিৰ ছুৰীৰ টুকুৰা। হাত, ডিঙি, পিঠি আৰু মেৰুদণ্ডত আঘাতপ্ৰাপ্ত হৈছিল অভিনেতাজন। প্ৰথমাৱস্থাত হাস্পতালৰ আইচিইউত ভৰ্তি কৰোৱা অভিনেতাজনক ১৭ জানুৱাৰীত সাধাৰণ কোঠালৈ বদলি কৰা হৈছিল। ইফালে অভিনেতাজনৰ বাসগৃহত প্ৰৱেশ কৰি আক্ৰমণ সংঘটিত কৰা সন্দেহযুক্ত বাংলাদেশী নাগৰিকজনক ইতিমধ্যে থানেৰ পৰা গ্ৰেপ্তাৰ কৰিছে মুম্বাই আৰক্ষীয়ে। দেওবাৰে অভিযুক্তজনক গ্ৰেপ্তাৰৰ পিছত আদালতে তেওঁক ৫ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসাৰ প্ৰতিপন্ন হ'ল মুখ্যমন্ত্ৰীয়ে

এম চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ স্থায়ী নিৰ্মাণ কাৰ্যৰ নামত ৰাজ্যত শাসনাধিষ্ঠিত বিজেপি চৰকাৰে ল'ৰা-ধেমালি কৰি অহা বুলি ক'লেও চাগে ভুল কোৱা নহ'ব। কাৰণ ডুমডুমা বি আৰ এম মহাবিদ্যালয়খন হৈছে বৃহত্তৰ ডুমডুমা অঞ্চলৰ ৰাইজৰ এক দীৰ্ঘদিনীয়া সপোনৰ সাৰ্থক ৰূপ। অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ডুমডুমা মহাবিদ্যালয়ত প্ৰতি বছৰে সীমিত আসনৰ বাবে নামভৰ্তিৰ সময়ত বহুতো ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তিৰ পৰা বঞ্চিত হ'বলগীয়া হোৱাত নামভৰ্তিৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় অৱৰোধেৰে প্ৰতিবাদ সাব্যস্ত কৰিবলগা ঘটনা নিশ্চয়কৈ অসমবাসীৰ মনত আছে চাগে। ছাত্ৰ-ছাত্ৰীৰ লগতে ছাত্ৰ সংগঠন, জাতীয় জনগোষ্ঠীয় দল-সংগঠন আৰু একাংশ দূৰদৰ্শী তথা সমাজ সচেতন ব্যক্তিৰ দাবী, আন্দোলন, প্ৰতিবাদত সেও মানি তদানীন্তন শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২০ বৰ্ষৰ আৰম্ভণিতেই কোনো ধৰণৰ আন্ত:গাঁথনি নোহোৱাকৈয়ে ডুমডুমাত এখন চৰকাৰী আদৰ্শ মহাবিদ্যালয় স্থাপনৰ কথা ঘোষণা কৰি আনকি অধ্যাপকো নিযুক্তি দিয়ে যদিও মহাবিদ্যালয়খনৰ নামকৰণ আৰু ভূমিক লৈ সেই সময়ত সৃষ্টি হৈছিল বিতৰ্ক তথা প্ৰতিবাদ। মহাবিদ্যালয়খন নিৰ্মাণৰ বাবে ডুমডুমা অঞ্চলত পৰ্যাপ্ত ভূমিৰ অভাৱ ঘটাত চৰকাৰৰ ৰাজহ বিভাগে বিচাকুপি বাইপাছৰ দাঁতিৰ বিচাকুপি চাহ বাগিচাৰ ফটিকজান ডিভিজনস্থিত প্ৰায় ৩০ বিঘা মাটি মহাবিদ্যালয়খনৰ নামত আবণ্টন দিছিল যদিও উক্ত ভূমিত চাহ জনগোষ্ঠীয় লোকে দখল কৰি অহাৰ পৰিপ্ৰেক্ষিতত আৰু উক্ত ভূমি মহাবিদ্যালয়খনৰ নিৰ্মাণৰ বাবে এৰি নিদিয়াত উক্ত ভূমিক লৈ সংঘাতৰ সূত্ৰপাত হোৱাই নহয় গান্ধী মুণ্ডা নামৰ এজন লোকৰো মৃত্যু হৈছিল। স্থানীয় ৰাইজে লোকজনক শ্বহীদো ঘোষণা কৰিছিল সেইসময়ত। প্ৰতিবাদত একপ্ৰকাৰ সেও মনা চৰকাৰে ক্ৰমাৎ দিন বাগৰিবলৈ ধৰাত সম্পূৰ্ণ অস্থায়ীৰূপত ৰূপাইস্থিত ডুমডুমা মহাবিদ্যালয়ৰ এটা ছাত্ৰ নিবাসতেই মহাবিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰে। পিছলৈ ছাত্ৰ নিবাসটোক বাঁহ-কাঠৰে কিছু বৰ্ধিত ৰূপ দি সম্পূৰ্ণ জোৰা-টাপলি মাৰি কোনোমতে মহাবিদ্যালয়খন চলি আহিছে, য'ত সম্প্ৰতি ৭৫৬ জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণত ব্ৰতী হৈ আহিছে। চৰকাৰে মহাবিদ্যালয়খনত অধ্যক্ষগৰাকীৰ লগতে ২২ গৰাকী অধ্যাপক-অধ্যাপিকা, ১ গৰাকী লাইব্ৰেৰিয়ানকে ধৰি মুঠ ২৪ গৰাকীক নিযুক্তি দিয়ে যদিও আজিলৈকে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত নিযুক্তি দিব নোৱাৰিলে। যোৱা বৰ্ষত এগৰাকী ইংৰাজী বিভাগৰ অধ্যাপকে অন্য কোনো মহাবিদ্যালয়লৈ বদলি হৈ যোৱাত তেতিয়াৰ পৰাই তেওঁৰ ঠাইত এগৰাকী ভিজিটিং প্ৰফেছৰৰ দ্বাৰাই পাঠদান চলাই আহিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষগৰাকীয়ে আৰম্ভণিৰ পৰা অকলেই কাৰ্য্যালয়ৰ সমস্ত কাম-কাজ চলাই আহিছিল যদিও যোৱা বৰ্ষৰ মাজভাগত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে এগৰাকী লোকক অমঞ্জুৰীকৃত তৃতীয় শ্ৰেণীৰ পদত তদৰ্থ হিচাপে নিযুক্তি দি কাৰ্য্যালয়ৰ কাম-কাজসমূহ চলাই আহিছে। স্থানীয় বিধায়ক তথা বৰ্তমানৰ অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (গৃহৰক্ষী, কাৰাগাৰ আৰু অসামৰিক প্ৰতিৰক্ষা) ৰ নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাই যোৱা বৰ্ষৰ ১২ ফেব্ৰুৱাৰীত ১৫ সংখ্যক অসম বিধানসভাৰ বাজেট অধিৱেশনৰ দিনটোৰ প্ৰশ্নকালীন ঘণ্টাত নিৰ্মীয়মান অৱস্থাত থকা মহাবিদ্যালয়খনৰ সন্দৰ্ভত উত্থাপন কৰা এক প্ৰশ্নৰ উত্তৰত ড° শৰ্মাই প্ৰায় ২৭ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি বিধানসভাৰ মজিয়াত উত্তৰ দিয়াৰ লগতে নিৰ্মাণকাৰ্যৰ নিবিদা লাভ কৰা "নৰ্থ-ইষ্ট প্লাণ্টেচন এণ্ড কমাৰচিয়েল প্ৰাইভেট লিমিটেড" নামৰ কোম্পানীটোৱে ২৭ শতাংশ কাম কৰি কিবা কাৰণত কাম বন্ধ কৰে বুলি কৈ ২ ফেব্ৰুৱাৰীত ঠিকাদাৰী প্ৰতিষ্ঠানটোক কামৰ পৰা টাৰ্মিনেট কৰাৰ কথা জানিবলৈ দিয়ে। ড° শৰ্মাই "ওৱান অব দ্য আনলাকী ইভেণ্ট" বুলিও উল্লেখ কৰি পুৰণি নিবিদাখন সংশোধন ঘটাই নতুনকৈ প্ৰাককলন নিবিদা প্ৰস্তুত কৰি নতুন নিবিদা আহবান কৰি অন্ততঃ এটা বছৰৰ ভিতৰত মহাবিদ্যালয়খনৰ স্থায়ী ভূমিত পাঠদান আৰম্ভ কৰিব পৰাকৈ চৰকাৰে চেষ্টা চলাই আছে বুলিও উল্লেখ কৰাৰ পাছতো যোৱা বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ পৰা আজিৰ তাৰিখলৈকে প্ৰায় এবছৰ হোৱাৰ উপক্ৰম হৈছে যদিও তাৰ পাছতো কোনো ঠিকাদাৰী প্ৰতিষ্ঠানক মহাবিদ্যালয়খনৰ নিৰ্মাণকাৰ্যৰ কাম আৰম্ভ কৰা দেখা পোৱা নগ'ল। ১৫ কোটি, ৩৬ লাখ, ৭৪ হাজাৰ, ৮৬৯ টকাৰ নিবিদাৰে পূৰ্বৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে কাম সম্পূৰ্ণ কৰাটো দূৰৰে কথা প্ৰায় ১৫ শতাংশৰ কামো সম্পূৰ্ণ নকৰা ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়খনৰ স্থায়ী নিৰ্মাণকাৰ্য সঁচাকৈয়ে হৈ উঠিবগৈ নে এয়া আজিৰ তাৰিখত এক কোটিটকীয়া প্ৰশ্ন! মহাবিদ্যালয়খনৰ নিৰ্মাণৰ নামত বিগত প্ৰায় ডেৰ বছৰে ইটা এচপৰাও নপৰা মহাবিদ্যালয়খনক লৈ শাসকীয় চৰকাৰখনে কৰি অহা ভেঙুচালিক লৈ চাহ নগৰী ডুমডুমাৰ বৌদ্ধিক তথা সচেতন মহলে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মহাবিদ্যালয়খনৰ এনে দুৰৱস্থাক লৈ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সচেতন অভিভাৱক সকলো চিন্তিত হৈ পৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াক মহাবিদ্যালয়খনৰ এনে দূৰৱস্থাৰ সন্দৰ্ভত এই প্ৰতিবেদকে সোধাত অধ্যক্ষগৰাকীয়ে সম্পূৰ্ণ অজ্ঞতাহে প্ৰকাশ কৰে। মুঠতে, ডুমডুমা বি আৰ এম চৰকাৰী আদৰ্শ মহাবিদ্যালয়খন প্ৰকৃতাৰ্থত নিৰ্মাণ হৈ উঠিবগৈনে? ৰাইজৰ দীৰ্ঘদিনীয়া সপোনে সাকাৰ ৰূপ পাবনে? নে যোৱা প্ৰায় ডেৰ বছৰে বন-জংঘলেৰে ভৰি পৰি এক প্ৰকাৰ বনাঞ্চললৈ পৰ্যবসিত হোৱা মহাবিদ্যালয়খনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিবলৈ আৰু কিমান বছৰৰ প্ৰয়োজন হব, নে মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে "ওৱান অব দ্য আনলাকী ইভেন্ট" বুলিয়েই এনেদৰে অৱহেলিত ৰূপতেই পৰি থাকিব?

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাতৰি কৰাৰ অপৰাধত সাংবাদিকক

পুত্ৰক সাঙুৰি বাতৰি প্ৰকাশ কৰাত গুৱাহাটীৰ এটা সংবাদ প্ৰতিষ্ঠানত বিশ্বনাথৰ পৰা সাংবাদিকতা কৰা সাংবাদিকক গ্ৰেপ্তাৰ কৰাত ৰাজ্যজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। আৰক্ষীয়ে 'ঈশান নিউজ'ৰ বিশ্বনাথৰ সাংবাদিক আব্দুল মাজানক গ্ৰেপ্তাৰ কৰিছে। ২০ জানুৱাৰীৰ নিশাৰে পৰা আৰক্ষীয়ে সাংবাদিকজনক আৰক্ষী থানাত বহুৱাই ৰাখে। প্ৰায় ২০ ঘণ্টা সময় বহুৱাই ৰাখে। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ নিৰ্দেশতে আৰক্ষীয়ে সাংবাদিকজনক গ্ৰেপ্তাৰ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছে। হিট এণ্ড ৰানৰ বাতৰিত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ পুত্ৰৰ নাম লোৱা বাবেই নিশা চতিয়া আৰক্ষীয়ে দাগী অপৰাধীৰ দৰে আবুল মাজনক গ্ৰেপ্তাৰ কৰি থানালৈ লৈ আহে। বিশ্বনাথ আৰক্ষী থানাত ৬/২৫ নম্বৰত ন্যায় সংহিতাৰ ১৯২/১০৯(১)/৩৫৩(২) ধাৰাত গোচৰ ৰুজু কৰা হয়। আৰক্ষীয়ে গোচৰ ৰুজু কৰি আদালতত হাজিৰ কৰিবলৈ তৎপৰ হৈছিল যদিও পিছত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাত প্ৰায় ২২ ঘণ্টাৰ অন্তত সাংবাদিক আবুল মাজনৰ গোচৰটো আদালতলৈ হস্তান্তৰ কৰে। আদালতে নিশায়েই শুনানি গ্ৰহণ কৰি সাংবাদিকগৰাকীক জামিন প্ৰদান কৰে যদিও জামিনদাৰৰ তথ্যপাতি পৰীক্ষণ সম্পূৰ্ণ নোহোৱাৰ ফলত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। ইফালে, একমাত্ৰ বাতৰি কৰা বাবেই দাগী অপৰাধৰ দৰে সাংবাদিকক গ্ৰেপ্তাৰ কৰা কাৰ্যক ৰাজ্যজুৰি সাংবাদিক সংগঠনসমূহৰ লগতে বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। এই ঘটনাক ধিক্কাৰ দিছে বিশ্বনাথ চাৰিআলি প্ৰেছ ক্লাবে। আজি বিশ্বনাথত বিশ্বনাথ চাৰিআলি প্ৰেছ ক্লাবৰ সাংবাদিকসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। শতাধিক সাংবাদিকে ধৰ্ণা প্ৰদান কৰি সাংবাদিক গ্ৰেপ্তাৰৰ ঘটনাক নিন্দা কৰে। বিশ্বনাথ চাৰিআলি প্ৰেছ ক্লাবৰ উদ্যোগত ক্লক টাৱাৰৰ সমীপত বিভিন্ন জাতীয় দল-সংগঠন আৰু সাংবাদিকে ধৰ্মঘট কাৰ্যসূচী পালন কৰি বিনাচৰ্তে আবুল মাজানক মুকলি কৰি দিবলৈ দাবী জনাইছিল। যোৱা ১৯ জানুৱাৰীত চতিয়াৰ নাগশংকৰত এক শিহৰণকাৰী হিট এণ্ড ৰানৰ ঘটনা সংঘটিত হৈছিল। কেবিনেট মন্ত্ৰীৰ মৰ্যাদা থকা বিধায়ক পদ্ম হাজৰিকাৰ পত্নীৰ নামত থকা গাড়ীৰ খুন্দাত এজন নিৰীহৰ মৃত্যু হৈছিল। চতিয়া চেঙামাৰীৰ দুৰ্ভগীয়া নৃপেন দৈমাৰী নামৰ লোকজনে নিহত হয়। নাগশংকৰৰ ওচৰত বগা ৰঙৰ এএছ-০১-ইবি-১৯১৯ নম্বৰৰ গাড়ীখনে প্ৰচণ্ড গতিত খুন্দা মাৰে আৰু লোকজনৰ থিতাতে মৃত্যু হয়। বগা ৰঙৰ স্কৰ্পিঅ' গাড়ীখন চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ পত্নী স্মৃতিৰেখা হাজৰিকাৰ নামত পঞ্জীয়ন হৈ আছে। অভিযোগ উত্থাপন হৈছিল যে বাইকখনে নাগশংকৰৰ ওচৰত ঘূৰিবলৈ গতিবেগ হ্ৰাস কৰাৰ সময়তে স্কৰপিঅ'খনে খুন্দা মাৰিছিল। বগা ৰঙৰ স্কৰপিঅ'খনৰ চালকজনে টেলিফোনযোগে কাৰোবাক ঘটনাৰ সবিশেষ জনোৱাত এখন আৰক্ষীৰ গাড়ী আহি গাড়ী চালকজনক স্থানৰ পৰা ততাতৈয়াকৈ লৈ যায়। বিধায়ক পদ্ম হাজৰিকাৰ পত্নীৰ নামত থকা গাড়ীখন সেই সময়ত কোনে চলাই লৈ আহিছিল তাকে লৈ প্ৰশ্ন উত্থাপন হৈছিল। নিহত নৃপেন দৈমাৰী ভাৰতীয় জনতা পাৰ্টীৰ সক্ৰিয় কৰ্মকৰ্তা আছিল। নৃপেন দৈমাৰীক চিকিৎসালয়লৈ নিয়াৰ পৰিৱৰ্তে বিধায়কৰ পত্নীৰ গাড়ী চালকজনে আহত লোকজনক কিয় এৰি থৈ পলায়ন কৰিছিল তাক লৈ প্ৰশ্ন উত্থাপন হয়। ইপিনে গাড়ীখন বিধায়ক পদ্ম হাজৰিকাৰ পুত্ৰই চলাইছিল নেকি বুলি ব্যাপক চৰ্চা হৈছিল। সেই চৰ্চাক লৈয়ে ঈশান নিউজৰ বিশ্বনাথৰ সাংবাদিক আব্দুল মাজানে বাতৰি পৰিৱেশন কৰিছিল। বাতৰি প্ৰকাশৰ পিছতে বিধায়ক পদ্ম হাজৰিকাৰ নিৰ্দেশত গোচৰ ৰুজু হোৱা বুলি জানিব পৰা যায়। গোচৰৰ ভিত্তিত মাজনিশা বিশ্বনাথ আৰক্ষীৰ দলে সন্ত্ৰাসবাদীৰ দৰে ঘৰৰ পৰা উঠাই আনে সাংবাদিক আব্দুল মাজানক। তাৰ পিছতে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

জ্যেষ্ঠ সাংবাদিক মনোজ গোস্বামীয়ে সাংবাদিকৰ গ্ৰেপ্তাৰক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। মনোজ গোস্বামীয়ে কয় "বিধায়কৰ আত্মীয়ৰ হিট এণ্ড ৰানৰ বাতৰি কৰিলে যদি সাংবাদিক জেলত যাব লগা হয়, নেতাৰ বিৰোধিতা কৰা বাবেই যদি কুকুৰে কামুৰি ছাগলী মাৰাৰ অভিযোগত কুকুৰৰ মালিকক জেলত ভৰোৱা হয়, তেন্তে এইখন দেশত স্বাধীনতা আৰু সাংবাদিকৰ দায়িত্বৰ কথা নোকোৱাই ভাল। মফচল আৰু গ্ৰামাঞ্চলৰ সাংবাদিকসকলক ৰক্ষণাবেক্ষণ দিয়াতো জৰুৰী হৈ পৰিছে, সাংবাদিক আৰু সাধাৰণ মানুহৰ ওপৰত হোৱা এই নিৰ্বিচাৰ নিৰ্যাতনৰ প্ৰবল প্ৰতিবাদ হওক। ৰাজনীতিকৰ লগতে আৰক্ষীকো ধিক্কাৰ দিছো।" অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই সাংবাদিকক গ্ৰেপ্তাৰ কৰাৰ ঘটনাক তীব্ৰ গৰিহণা দিছে। বেদব্ৰত বৰাই কয় "সাংবাদিক গ্ৰেপ্তাৰ গণতন্ত্ৰৰ প্ৰতি ভাবুকি। মুখ্যমন্ত্ৰী ডাঙৰীয়া, আপুনি পুলিচ ৰাজ চলাইছে নেকি?" অখিল গগৈয়ে সাংবাদিক গ্ৰেপ্তাৰৰ ঘটনাক গৰিহণা দিছে। 'ঈশান নিউজ'ৰ বিশ্বনাথৰ সাংবাদিক আবুল মাজানক গ্ৰেপ্তাৰ চতিয়া আৰক্ষীৰ। বিধায়ক পুত্ৰৰ 'হিট অণ্ড ৰাণ' অভিযোগৰ বাতৰি পৰিৱেশনৰ 'গুৰুতৰ অপৰাধ'ত গ্ৰেপ্তাৰ সাংবাদিকগৰাকীক। ইয়াৰ নামেই 'পুলিচৰ শাসন'। মুখ্যমন্ত্ৰী মহোদয়, ধৰি ল'লো সাংবাদিকজনে ভুল বাতৰি পৰিৱেশন কৰিলে। তাৰ বিচাৰ গ্ৰেপ্তাৰনে? অভিযুক্তজনে এনে ক্ষেত্ৰত মান হানিৰ গোচৰ দিব, আদালতলৈ যাব, বিচাৰ হ'ব, ৰায় দিব। কিন্তু আপোনাৰ পুলিচে দেখ দেখ ৰাজনীতিকৰ প্ৰভাৱত বেআইনী কাম কৰিছে। যদি ভুৱাকৈ এজাহাৰো দিছে, তাত জামিন অযোগ্য ধাৰাও আছে, তথাপি পুলিচে সাংবাদিকজনক গ্ৰেপ্তাৰ কৰা অনুচিত। উত্তৰ অসমত এজন ৰাজনীতিকৰ মাফিয়াগিৰি চলি আছে, মুখ্যমন্ত্ৰী ডাঙৰীয়া।

আমি সাংবাদিকজনৰ গ্ৰেপ্তাৰৰ নিন্দা কৰিছো আৰু তেওঁক মুকলি কৰি দিবলৈ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু জি.পি সিং ডাঙৰীয়াক আহ্বান জনাইছো। এই জংগলৰাজ বন্ধ কৰক ডাঙৰীয়া। শোণিতপুৰ জিলা কংগ্ৰেছে এক বিবৃতি জাৰি কৰি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ প্ৰহৰীৰ গ্ৰেপ্তাৰৰ ঘটনাক গৰিহণা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সন্মান লাঘৰ নকৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। শোণিতপুৰ জিলা কংগ্ৰেছে কয় যে বাতৰি কৰাৰ বাবে গুৰুতৰ অপৰাধীৰ দৰে সাংবাদিকক গ্ৰেপ্তাৰ কৰা হৈছে। যদি সাংবাদিকে ভুল বাতৰি কৰিছিল তেন্তে আদালতৰ কাষ চাপি মানহানিৰ গোচৰ তৰিব লাগিছিল। অসম আৰক্ষীয়ে ৰাজনৈতিক প্ৰভাৱত সাংবাদিকক বেআইনীভাৱে গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী আৰু ডিজিপি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ৰক্ষা কৰক। সাংবাদিকক গ্ৰেপ্তাৰ কৰাৰ ঘটনাক নিন্দা কৰিছে কামৰূপ সাংবাদিক ঐক্য মঞ্চই। কামৰূপ সাংবাদিক ঐক্য মঞ্চই কয় যে সাংবাদিকক গ্ৰেপ্তাৰ কৰা ঘটনাৰ বিৰুদ্ধে কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ প্ৰতিবাদ। ঈশান নিউজৰ বিশ্বনাথৰ সাংবাদিক আব্দুল মাজানক আৰক্ষীয়ে কোনো বিচাৰ নোহোৱাকৈ বেআইনীভাৱে গ্ৰেপ্তাৰ কৰা কাৰ্যক কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ তৰফৰ পৰা তীব্ৰ গৰিহণা জনাইছো। ইয়াৰ লগতে অসমৰ মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালক প্ৰধান ডাঙৰীয়াক গণতন্ত্ৰৰ চতুৰ্থস্তম্ভক সন্মান আৰু সুৰক্ষা দিবলৈ অনুৰোধ জনালো। অনুসূচিত জাতিৰ সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসেও সাংবাদিক আবুল মাজানৰ গ্ৰেপ্তাৰৰ ঘটনাক নিন্দা কৰিছে। সঞ্জীৱ দাসে কয় যে গুণ্ডাৰাজ আৰু জংঘলৰাজৰ প্ৰমাণ দিলে সাংবাদিকক গ্ৰেপ্তাৰ কৰি। বিধায়ক পুত্ৰৰ গাড়ীৰ খুন্দাত পথচাৰী নিহত হোৱাৰ অভিযোগৰ বাতৰি কৰা বিশ্বনাথৰ সাংবাদিক আবুল মাজানক গ্ৰেপ্তাৰ কৰা ঘটনাক গৰিহণা দিছো। সোনকালে সাংবাদিকজনক মুকলি কৰি দিয়াৰ দাবী জনালো। সংবাদিকক এনেদৰে বাতৰি কৰা বাবে গ্ৰেপ্তাৰ কৰা কাৰ্যক গৰিহণা দিছে গুৱাহাটী প্ৰেছ ক্লাবেও। সাংবাদিকগৰাকীক বিনাচৰ্তে মুক্তিৰ দাবী জনাইছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। এক বিবৃতিত বৰাই কয় যে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ পত্নীৰ নামত থকা এখন বাহন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ বাতৰি পৰিৱেশন কৰাৰ পিছত এজন সাংবাদিকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ঘটনা গণতন্ত্ৰৰ পৰিপন্থী। সংবাদ পৰিৱেশন কৰাৰ স্বাধীনতা সাংবাদিকৰ পূৰামাত্ৰাই থাকিব লাগিব। ভুল সংবাদ পৰিৱেশন হ'লে তাৰ বিচাৰৰ দায়িত্ব আইনগতভাৱে হ'ব লাগে। ভয়-ভাবুকিৰে চতুৰ্থ স্তম্ভৰ মুখ বন্ধ কৰাতো ল'ৰাৰজাৰ শাসনৰ নামান্তৰ মাত্ৰ। বৰাই কয়, সাংবাদিকজনক গ্ৰেপ্তাৰ কৰাৰ পৰিৱৰ্তে আদালতৰ জৰিয়তে তেওঁ কাম কৰা প্ৰতিষ্ঠানটোৰ সম্পাদকক জবাবদিহি কৰাতো নিয়ম, তাকে নকৰি জামিনবিহীন গ্ৰেপ্তাৰ কৰা কাৰ্য গৰিহণাযোগ্য।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফেচবুকত বিধায়ক পদ্মৰ স্পষ্টীকৰণ

বিতৰ্কত সোমাই পৰি আহিছে। কিছু দিন পূৰ্বে এটা কুকুৰে মানুহক কামোৰত চতিয়া আৰক্ষীয়ে বিজেপিৰ কৰ্মীক গ্ৰেপ্তাৰ কৰাত পদ্ম হাজৰিকা বিতৰ্কত সোমাই পৰিছিল। শোণিতপুৰ জিলাৰ জামগুৰিহাট আৰক্ষী থানা এলেকাৰ কুসুমতোলাৰ নীলোৎপল ভূঞাক হাস্যকৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল। এটা কুকুৰে ছাগলীক কামোৰাত গোচৰ ৰুজু হয় আৰু বিজেপিৰ কৰ্মী নীলোৎপল ভূঞাক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। গ্ৰেপ্তাৰৰ পিছতে আৰক্ষীৰ জিম্মাৰ পৰাই জামুগুৰি আৰক্ষী আৰু বিধায়ক পদ্ম হাজৰিকাৰ বিৰুদ্ধে নীলোৎপল ভূঞাই বিস্ফোৰক অভিযোগ উত্থাপন কৰিছিল। ঘৰৰ ওচৰৰ মানুহৰ বনৰীয়া কুকুৰে ছাগলীক কামুৰিছে। জামগুৰি আৰক্ষী থানাৰ অ'চিয়ে কৈছে যে পদ্ম হাজৰিকাই ৰাতিৰে পৰা শুবলৈ দিয়া নাই। মোৰ ওপৰত ভুৱা ধাৰা লগাই মোক গ্ৰেপ্তাৰ কৰাইছে। তদন্তকাৰী বিষয়া আৰু ভাৰপ্ৰাপ্ত বিষয়াই মোৰ পৰা ৫ হাজাৰ টকা লৈছে। অনলাইনত ঘোচ লৈছে। সেই তথ্য-পাতি পিছত মই জনাম। আপোনালোকে দেখিছে অসম আৰক্ষী বিশেষকৈ জামগুৰিহাট পুলিচে এমএলএৰ বুঢ়া আঙুলিৰ নিৰ্দেশত চলে। ২ জানুৱাৰীত সংঘটিত এই ঘটনাৰ ফলত ব্যাপক বিতৰ্কত সোমাই পৰিছিল পদ্ম হাজৰিকা। ৩ জানুৱাৰীৰ বিতৰ্কৰ অৱসান ঘটিছিলহে মাথো। এইবাৰ পুনৰ আন এক বিতৰ্কত সোমাই পৰিল পদ্ম হাজৰিকা। এইবাৰ চতিয়া আৰক্ষীয়ে বিশ্বনাথৰ এজন সাংবাদিকক গ্ৰেপ্তাৰ কৰাত বিধায়ক হাজৰিকা পুনৰ বিতৰ্কত সোমাই পৰিছে। চতিয়াৰ নাগশংকৰৰত বগা ৰঙৰ এএছ-০১-ইবি-১৯১৯ নম্বৰৰ গাড়ীখনৰ খুন্দাত নিগত হৈছিল নৃপেন দৈমাৰী নামৰ লোকজন। বগা ৰঙৰ স্কৰ্পিঅ' গাড়ীখন চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ পত্নী স্মৃতিৰেখা হাজৰিকাৰ নামত পঞ্জীয়ন হৈ আছে। গাড়ীখন পদ্ম হাজৰিকাৰ পুত্ৰই চলাই আহিছিল বুলি উত্থাপিত অভিযোগক লৈ বাতৰি কৰিছিল বিশ্বনাথৰ সাংবাদিক আব্দুল মাজানে। সাংবাদিক আব্দুল মাজানক কালি নিশা সন্ত্ৰাসবাদীৰ দৰে গ্ৰেপ্তাৰ কৰে। তাৰ পিছতে চতিয়াৰ বিধায়ক হাজৰিকাই চতিয়া সমষ্টিত গুণ্ডাৰাজ মাফিয়াৰাজ চলোৱাৰ অভিযোগ উত্থাপন হয়। বিধায়ক অখিল গগৈয়ে ফেচবুকত পোষ্ট দি চতিয়াত মাফিয়াৰাজ চলোৱা বুলি অভিযোগ উত্থাপন কৰে। অখিল গগৈয়ে সাংবাদিক গ্ৰেপ্তাৰৰ ঘটনাক গৰিহণা দি চতিয়াত মাফিয়াৰাজ চলাৰ অভিযোগ আনে। অখিল গগৈয়ে মাফিয়াৰাজ চলাৰ অভিযোগৰ পিছতে খণ্ডত টিঙিৰ তুলা হয় পদ্ম হাজৰিকা। অখিল গগৈক উভতি ধৰে। পদ্ম হাজৰিকাই নাগশংকৰত সংঘটিত হোৱা দুৰ্ঘটনাক লৈ যি সস্তীয়া ৰাজনীতি কৰা আৰু দুৰ্ঘটনাৰ সময়ত তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসত তেওঁৰ পুত্ৰ থকা বুলি কয়। হাজৰিকাই কয় যে উদ্দেশ্য প্ৰণোদিতভাৱে বাতৰি পৰিৱেশন কৰা এটা ৱেব প'ৰ্টেলৰ এজন সাংবাদিকক আৰক্ষীয়ে আটক কৰাত বিধায়ক অখিল গগৈয়ে সামাজিক মাধ্যমত মাফিয়াৰাজ চলোৱাৰ অভিযোগ আনিছে। এয়া দুৰ্ভাগ্যজনক। মিছা বাতৰি পৰিৱেশন কৰি অধ্যয়নৰত এজন ছাত্ৰক মানসিকভাৱে হাৰাশাস্তি কৰা সাংবাদিকজনক ৰক্ষণাবেক্ষণ দিবলৈ গৈ তেওঁ যি অকথ্য শব্দ ব্যৱহাৰ কৰিছে সেয়া তেওঁৰ স্বভাৱগত ধৰ্ম আৰু তেওঁৰ পৰা আচলতে তাতকৈ বেছি আশা কৰাও ভুল। অখিল গগৈ ডাঙৰীয়া বুলি সম্বোধন কৰি হাজৰিকাই আৰু কয় যে পাঁচটাকৈ কাৰ্যকালৰ বাবে সমষ্টিবাসীৰ আশীষ শিৰত লৈ বিধায়ক হৈছো, আপোনাৰ দৰে মানুহৰ প্ৰমাণ পত্ৰ মোৰ প্ৰয়োজন নাই। মাফিয়াৰাজ আপুনিহে চলাই আহিছে ডাঙৰীয়া। কৃষক মুক্তিৰ নামত সহজ-সৰল কৃষকসকলক ঢাল সজাই আপুনি বিধায়কো হ'লগৈ। এতিয়া অন্ততঃ আগৰ সেই লম্ফ-জম্ফবোৰ এৰি বিধায়কৰ সন্মানখিনি ৰখাৰ চেষ্টা কৰা ভাল। সংবাদ মাধ্যম আৰু সাংবাদিকসকলৰ প্ৰতি আমাৰ শ্ৰদ্ধা-বিশ্বাস সদায়ে আছে আৰু থাকিব। কিন্তু পাবতগজা সাংবাদিক নামধাৰী কোনোবাই ৰাজনীতিৰ নামত এজন অধ্যয়নৰত ছাত্ৰক মানসিকভাৱে হাৰশাস্তি কৰাই নহয়, দুৰ্ঘটনাত প্ৰাণ হেৰুওৱাজনৰ শোকসন্তপ্ত পৰিয়ালটিক উচতাই দিয়াৰ দৰে নিকৃষ্ট কাম কৰা ব্যক্তিজনক ৰক্ষণাবেক্ষণ দিবলৈ আপোনাৰ ইমান মমতা কিয় জাগিছে সেয়া সন্দেহৰ বিষয়। জনতাৰ দ্বাৰা নিৰ্বাচিত ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰখনক হকে-বিহকে আক্ৰমণ কৰি অসমখন অশান্ত কৰাৰ বাবে আপুনি সদায় পৰিৱেশ ৰচনা কৰাৰ চেষ্টা চলাই আহিছে বুলিও অভিযোগ কৰে। সমৰ্থককক বাদ দি বিধায়ক হাজৰিকাৰ এনে অভিযোগক অৱশ্যে হাস্যকৰ আখ্যা দিছে অধিকাংশ দল-সংগঠনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সোণাৰিত হঠাৎ বিস্ফোৰণ, আহত এজন

চৌহদত হোৱা এটা প্ৰচণ্ড শব্দই সমগ্ৰ অঞ্চলটোৰ ৰাইজক হতভম্ব আৰু ত্ৰাসিত কৰি তুলিছে। আজি দিনৰ ডেৰমান বজাত সংঘটিত এই ঘটনাৰ পাছতে আদালত চৌহদত সৃষ্টি হয় তীব্ৰ চাঞ্চল্য। জানিব পৰা মতে, আদালতৰ কিছুমান অপ্ৰয়োজনীয় কাগজ-পত্ৰ আৰু অন্যান্য বস্তু আদালতত নিয়োজিত পুলিচ বিষয়াই জ্বলাই থকাৰ অৱস্থাত প্ৰচণ্ড শব্দই গোটেই অঞ্চলটো কঁপাই তোলে। ৰহস্যজনকভাৱে কি শব্দই গোটেই অঞ্চলটো কঁপাই তুলিলে এতিয়ালৈকে অনুমান কৰিব পৰা হোৱা নাই। উক্ত শব্দ হোৱা স্থানত বহুত সংখ্যক ঠাইৰ ঘাঁহ-বন জ্বলি চাই হৈ যায় । উপস্থিত ৰাইজে জুই জ্বলোৱা ঠাইত কোনো বিস্ফোৰক সামগ্ৰী থকা বুলি সন্দেহ কৰিছে । ঘটনাটোত নিচান দাস নামৰ উকীল সংস্থাত কৰ্মৰত এজন অস্থায়ী কৰ্মচাৰী অহাত হৈছে। আহত ব্যক্তিজনক ইতিমধ্যে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। ঘটনাৰ প্ৰায় আধা ঘণ্টাৰ পিছত অগ্নি নিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ অগ্নি নিৰ্বাপন কৰে। ইয়াৰ পিছতে সোণাৰি আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ বিস্ফোৰণৰ প্ৰকৃত কাৰণ উদ্ধাৰৰ বাবে অনুসন্ধান আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তুৰস্কত ৰিজৰ্টত জুই, নিহত ৬৬

প্ৰথমে ১০ জনৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছিল, কিন্তু শেহতীয়া খবৰ অনুসৰি এই সংখ্যা ৬৬ জনলৈ বৃদ্ধি পাইছে। আনহাতে অগ্নিকাণ্ডৰ ফলত আহত হৈছে ৫১ জন লোক। আহতসকলৰ বহুতৰে অৱস্থা সংকটজনক হোৱাৰ পৰিপ্ৰেক্ষিতত মৃত্যুৰ সংখ্যা আৰু অধিক বৃদ্ধি পাব পাৰে বুলি আশংকা কৰিছে প্ৰশাসনে। সংবাদ সংস্থা ৰয়টাৰ্ছৰ মতে, বৰফেৰে আবৃত পাহাৰেৰে আগুৰি থকা উত্তৰ তুৰ্কীৰ বলু চহৰৰ এখন স্কি ৰিজ'ৰ্টত এই ঘটনা সংঘটিত হৈছে। ৰিজ'ৰ্টখন মূলতঃ কাঠেৰে নিৰ্মাণ কৰা হৈছিল, যিটোৱে জুই দ্ৰুতভাৱে বিয়পি পৰাত ইন্ধন যোগায়। স্থানীয় সময় অনুসৰি পুৱা প্ৰায় ৩:৩০ বজাত প্ৰথমে ৰেষ্টুৰেণ্টৰ পৰা আৰম্ভ হোৱা জুই কম সময়ৰ ভিতৰতে আন মহলালৈ বিয়পি পৰে। বলুৰ গৱৰ্ণৰ আব্দুলজিজ আয়দিনে সংবাদ মাধ্যমৰ আগত কয় যে অগ্নিকাণ্ডৰ সময়ত ৰিজ'ৰ্টখনত মুঠ ২৩৪ জন অতিথি আছিল। কাঠেৰে নিৰ্মিত হোৱাৰ বাবে জুই দ্ৰুতগতিত বিয়পি পৰে আৰু সেই সময়ত অধিকাংশ অতিথিয়েই নিদ্ৰাৰত আছিল। অগ্নিকাণ্ডৰ খবৰ পোৱাৰ লগে লগে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে দ্ৰুতগতিত সেই স্থানত উপস্থিত হৈ ভিতৰৰ পৰা ১০ জন লোকৰ মৃতদেহ উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত উদ্ধাৰ কৰি আহত সকলক হাস্পতাললৈ প্ৰেৰণ কৰা হয়। এই ভয়ংকৰ অগ্নিকাণ্ডৰ সঠিক কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। ঘটনাৰ প্ৰকৃত কাৰণৰ সম্ভেদ উলিয়াবলৈ ইতিমধ্যে স্থানীয় প্ৰশাসনে এই ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# কোৰিয়াৰ পৰা জাপান পালে মুখ্যমন্ত্ৰী

এক মুখ্য স্তম্ভ। উল্লেখ্য যে, অসম চৰকাৰৰ বৃহৎ পদক্ষেপ হিচাপে ইতিমধ্যে চিহ্নিত এডভাণ্টেজ আছাম সন্মিলনলৈ বিশ্বৰ বিভিন্ন উন্নত ৰাষ্ট্ৰলৈ মুখ্যমন্ত্ৰীকে ধৰি অসম চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰীয়ে ভ্ৰমণ কৰিছে। বিভিন্ন দেশত এডভাণ্টেজ আছাম ৰোড শ্ব'ৰ প্ৰচাৰ সভাসমূহ অনুষ্ঠিত কৰা হৈছে। আজি দক্ষিণ কোৰিয়া ভ্ৰমণৰ অন্তিম দিনটোত মুখ্যমন্ত্ৰীয়ে ছিউলত বিশ্বৰ অন্যতম বৃহৎ অৰ্ধপৰিবাহী গোট এছ কে হাইনিক্সৰ উপাধ্যক্ষ ড০ জুন চয়ৰ সৈতে এক ফলপ্ৰসূ বৈঠকত মিলিত হয়। অসমক বিশ্বৰ অন্যতম অৰ্ধপৰিবাহী হাব হিচাপে প্ৰতিষ্ঠা কৰাৰ দৃষ্টিভংগী সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে তেওঁক অৱগত কৰে। আজিৰ এই আলোচনাই অসমক সমৃদ্ধ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা ব্যক্ত কৰে। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দক্ষিণ কোৰিয়াৰ ষ্টাৰ্টআপ পৰিৱেশ তন্ত্ৰ বুজিবলৈ আৰু বিভিন্ন অংশীদাৰৰ সৈতে জড়িত হ'বলৈ ছিউলৰ পাংগিঅ' টেকন' ভেলীৰ ষ্টাৰ্টআপ কেম্পাছ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে কোৰিয়া গণৰাজ্য চৰকাৰৰ এছ এম ই আৰু ষ্টাৰ্টআপৰ মন্ত্ৰী অ'হ য়ংজুৰ সৈতে সাক্ষাতত মিলিত হৈ অসম আৰু দক্ষিণ কোৰিয়াত অৱস্থিত উদ্যোগী আৰু ষ্টাৰ্টআপৰ মাজত সহযোগিতা ৰক্ষাৰ সৈতে সম্পৰ্কিত বিভিন্ন বিষয় আলোচনা কৰাৰ লগতে দক্ষিণ কোৰিয়াৰ নবীকৰণযোগ্য আৰু স্বচ্ছ শক্তিৰ অন্যতম বৃহৎ প্ৰতিষ্ঠান জি এছ গ্ৰুপৰ উপাধ্যক্ষ য়ং হা ক্বৰ সৈতে দক্ষিণ কোৰিয়া ভ্ৰমণৰ সূচী হিচাপে সাক্ষাততো মিলিত হয়। সাক্ষাতত ২০৩০ চনৰ ভিতৰত ৩০০০ মেগাৱাট স্বচ্ছ শক্তি উৎপাদনৰ অসমৰ লক্ষ্যৰ বিষয়ে বাৰ্তালাপত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে ছেমিকণ্ডাক্টৰ আৰু এল ই ডি প্ৰযুক্তিৰ ক্ষেত্ৰত উল্লেখনীয় কাম কৰি থকা উদ্ভাৱনী সংস্থা ছিউল ভাইঅ'ছিছৰ মুখ্য কাৰ্যবাহী বিষয়া লি য়ং জুৰ সৈতেও আলোচনাত মিলিত হয়। ছেমিকণ্ডাক্টৰ আৰু এল ই ডি প্ৰযুক্তিৰ ক্ষেত্ৰত উল্লেখনীয় কাম কৰি থকা উদ্ভাৱনী সংস্থা ছিউল ভাইঅ'ছিছৰ মুখ্য কাৰ্যবাহী বিষয়া লি য়ং জুৰ সৈতে সাক্ষাৎ আজিৰ দিনটোৰ এক আনন্দদায়ক অভিজ্ঞতা আছিল বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সাক্ষাতৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে তেওঁলোকক এডভাণ্টেজ আছাম ২.০-ত অংশগ্ৰহণ কৰিবলৈ আৰু অসমত আৰম্ভ হ'বলগীয়া ছেমিকণ্ডাক্টৰ ইক'ছিষ্টেমত যোগদান কৰিবলৈ আমন্ত্ৰণ জনায়। এক নতুন ছেটেলাইট চিটী নিৰ্মাণৰ পৰা আৰম্ভ কৰি চৰকাৰৰ সৰ্বোচ্চ স্তৰৰ সহায়-সমৰ্থনলৈকে সকলো প্ৰধান ছেমিকণ্ডাক্টৰ উদ্যোগৰ অংশীদাৰসকলক আদৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে ছিউলত কোৰিয়াৰ নিজা ছিলিকন ভেলী পাংগ্যা' টেকন' ভেলীৰ ষ্টাৰ্টআপ চৌহদ পৰিদৰ্শন কৰি আই টি, বায়োটেক আদিৰ বিভিন্ন ক্ষেত্ৰৰ পৰা কোৰিয়ান ষ্টাৰ্টআপৰ উদ্ভাৱনসমূহ অন্বেষণ কৰে। উল্লেখ্য যে, টেকন' ভেলী হৈছে এক উদ্ভাৱনীমূলক কোৰিয়ান ধাৰণা, যিয়ে বিভিন্ন প্ৰযুক্তিগত পটভূমিৰ ষ্টাৰ্টআপ আৰু উদ্যমীসকলক আই টি, বায়'টেক আৰু সংস্কৃতিক একেডাল সূতাৰে গঁথাৰ দৰে ৰাখে। টেকন' ভেলীৰ বৈচিত্ৰ্যময় পৰিৱেশ তন্ত্ৰই সমগ্ৰ আই টি, জৈৱ প্ৰযুক্তি আৰু সাংস্কৃতিক উদ্যোগসমূহত উদ্ভাৱনক লাভান্বিত কৰে। ড০ শৰ্মাই টেকন' ভেলীৰ অত্যাধুনিক পৰিৱেশৰ দ্বাৰা যথেষ্ট আকৰ্ষিত হয়। অসম আৰু টেকন' ভেলীৰ উদ্যমী আৰু ষ্টাৰ্টআপৰ মাজত সহযোগিতা গঢ়ি তোলাৰ অভিপ্ৰায় ব্যক্ত কৰিছিল আৰু শীঘ্ৰেই এই সন্দৰ্ভত এক চুক্তিও প্ৰস্তুত কৰাৰ কথা ব্যক্ত কৰে। ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে তাত উপস্থিত থকা ভাৰতীয় উদ্যোগীসকলৰ সৈতেও সাক্ষাৎ কৰি বাৰ্তালাপত মিলিত হয়। সাক্ষাতৰ জৰিয়তে সকলোকে এডভাণ্টেজ আছাম ২.০-ত অংশগ্ৰহণ কৰিবলৈ আৰু অসমত আৰম্ভ হ'বলগীয়া ছেমিকণ্ডাক্টৰ ইক' ছিষ্টেমত যোগদান কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আমন্ত্ৰণ জনায়। উল্লেখ্য যে দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি আজি মুখ্যমন্ত্ৰীগৰাকী জাপানলৈ ৰাওনা হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকাত বিপদত ভাৰতীয়

ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণৰ প্ৰথম দিনাই ট্ৰাম্পে প্ৰদান কৰিছে নথি-পত্ৰবিহীন অনুপ্ৰৱেশকাৰীক বিতাড়িত কৰাৰ সকিয়নী। ইয়াৰ পিছতে থৰহৰি কম্পমান হৈছে ১ কোটি ৪০ লাখ অনুপ্ৰৱেশকাৰী। উল্লেখ্য যে, ট্ৰাম্পৰ কঠোৰ নীতিক লৈ আতংকিত হোৱা অনুপ্ৰৱেশকাৰীসকলৰ মাজত আছে ৭ লাখ ২৫ হাজাৰ ভাৰতীয়ও। আমেৰিকা প্ৰশাসনৰ একাধিক প্ৰতিবেদন অনুসৰি নথি-পত্ৰবিহীন অনুপ্ৰৱেশকাৰীৰ ভিতৰত তৃতীয় স্থানত আছে ভাৰতীয় অনুপ্ৰৱেশকাৰী। আনহাতে এই তালিকাৰ শীৰ্ষত আছে মেক্সিকো আৰু এল ছালভাডৰৰ নাগৰিক। ২০২৪ বিত্তীয় বৰ্ষত বাইডেন প্ৰশাসনে ১৫২৯ জন ভাৰতীয়ক বিতাড়িত কৰাৰ বিপৰীতে এইবাৰ ট্ৰাম্প প্ৰশাসন আৰু কঠোৰ হ'বলৈ গৈ আছে। ট্ৰাম্পে নিজৰ ভাষণত কয়, "মোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কৰ্তব্য হৈছে আমেৰিকাৰ জনসাধাৰণক অবৈধ অনুপ্ৰৱেশৰ পৰা ৰক্ষা কৰা। মোৰ প্ৰশাসনে অবৈধ অনুপ্ৰৱেশকাৰীয়ে আমেৰিকা এৰি যোৱাটো নিশ্চিত কৰাৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰিব।" ইফালে, ট্ৰাম্পৰ এই স্থিতি কেৱল নথি-পত্ৰবিহীন অনুপ্ৰৱেশকাৰীৰ বাবেই নহয়, ইতিমধ্যে তাত থকা ভাৰতীয় এইচ-১বি ভিছাধাৰীসকলৰ বাবেও চিন্তাৰ বিষয় হৈ পৰিছে। ২০২৩ চনৰ পৰিসংখ্যা অনুসৰি এইচ-১বি ভিছাধাৰী ৩ লাখ ৮৬ হাজাৰৰ ভিতৰত ৭২ শতাংশই ভাৰতীয়। ট্ৰাম্প প্ৰশাসনৰ অধীনত এই ভিছাধাৰীসকলৰ ভৱিষ্যতক লৈও এতিয়া বৃদ্ধি পাইছে উদ্বেগ। অন্যহাতে, ট্ৰাম্পৰ কাৰ্যভাৰ গ্ৰহণৰ পিছৰে পৰা আমেৰিকাৰ শ্বেয়াৰ বজাৰত তীব্ৰ অৱনতি ঘটিছে। চেন্সেক্স আৰু নিফটি সূচকাংকত এদিনতে ৫ লাখ কোটি টকা লোকচান হয়, যিটো দেশৰ অৰ্থনীতি আৰু বিনিয়োগকাৰীৰ বাবে এক বৃহৎ সতৰ্কবাণী হিচাপে পৰিগণিত হৈছে। ট্ৰাম্পৰ কঠোৰ ব্যৱস্থা আৰু বজাৰৰ অস্থিৰতাক লৈ অনুপ্ৰৱেশকাৰীসকল ক্ৰমান্বয়ে চিন্তিত হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত জালত পৰিল ২ চোৰৰ গেং

অভিযান চলাইছে। গুৱাহাটী আৰক্ষীয়ে দুটাকৈ অভিযান চলাই ৫ এটিএম কাৰ্ড চোৰ আৰু দুই এচি চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। কালি নিশা গুৱাহাটীৰ বশিষ্ঠ প্ৰেছ ক্লাৱৰ পৰা এটা এচি, ১টা ভল্টেজ এচি কুলাৰ ফ্ৰেম, ৪টা সৰু স্পীকাৰ, এটা ইনটেল ছাউণ্ড বক্স চুৰি হৈছিল। পুৱাই এই ঘটনা পোহৰলৈ আহে। বশিষ্ঠ প্ৰেছ ক্লাৱে লগে লগে বশিষ্ঠ আৰক্ষীক চুৰিৰ বিষয়ে অৱগত কৰে। আৰক্ষীয়ে ততাতৈয়াকৈ অভিযান আৰম্ভ কৰি চাৰি চোৰক ধৰাৰ লগতে সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বশিষ্ঠ আৰক্ষীয়ে এজি ৰোডৰ বশিষ্ঠ প্ৰেছ ক্লাবৰ চুৰিকাৰ্যত জড়িত আছমা খাতুন (৫৫), ছফিকুল ইছলাম (৩৪), ইনামুল আলী (১৯) আৰু মিনাৰ্জ আলীক (১৯) ১২ ঘণ্টাৰো ভিতৰত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। লগতে চোৰৰ পৰা দুটা তামৰ তাঁৰৰ ৰোল, অপৰাধ সংঘটিত কৰিবলৈ ব্যৱহাৰ কৰা এখন ৰিক্সা আৰু নগদ ৫,৪০০ টকা উদ্ধাৰ কৰে। চুৰিৰ সময়ত ব্যৱহৃত ৰেঞ্চ, প্লাইয়াৰ, স্ক্ৰু ড্ৰাইভাৰ, হাতুৰী, ইলেক্ট্ৰিক কাটাৰ মেচিন আদি সঁজুলিও জব্দ কৰে আৰক্ষীয়ে। ইপিনে গুৱাহাটীৰ পাঞ্জাবাৰীৰ পৰা এটিএম কাৰ্ড চুৰি কৰা এটা চক্ৰ উৎখাত কৰিবলৈ সক্ষম হয় অসম আৰক্ষী। আচিফ ইকবাল হুছেইন (২০), আব্দুলা আজাদ (২০), দেৱান আজলান হাৰিজ (২০), আৰিফুল ইছলাম (২৬) আৰু চাহিল আহমেদক (২১) গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। বশিষ্ঠ আৰক্ষীৰ দলে পাঞ্জাবাৰীৰ পৰা এটিএম প্ৰৱঞ্চকৰ দলটোক গ্ৰেপ্তাৰ কৰে। ৫ জনীয়া দলটোৱে গুৱাহাটীত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। এটিএমৰ ভিতৰত বিত্তীয় লেনদেন কৰা বৃদ্ধ লোকৰ পৰা এটিএম কাৰ্ড নি টকা উলিয়াইছিল। চোৰৰ দলটোৰ পৰা ১৭ খন এটিএম কাৰ্ড, ১১ হাজাৰ নগদ, ১ খন পাঁচ দিৰহাম নোট, ৩টা নগুলট্ৰুম নোট, ৩টা মোবাইল ফোন, ১খন বাইক, এখন গাড়ী জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষী। এই চোৰৰ দলকেইটাই বিগত সময়ছোৱাত মহানগৰীত সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল।

## অবৈধ দলং ভাগি বনভোজ দল হতাহত হোৱাৰ আশংকা, নিৰ্বিকাৰ জিলা প্ৰশাসন

# শিৱসাগৰ দিচাংমুখত অবৈধ বাঁহৰ দলং সজাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, শিৱসাগৰ, ২১ জানুৱাৰীঃ** শিৱসাগৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত চহৰৰ পৰা ১২ কিলোমিটাৰ নিলগৰ দিচাংমুখৰ দিচাং নদীৰ ওপৰত এটা চক্ৰই অস্থায়ী বাঁহৰ দলং সাজি দৈনিক হাজাৰ হাজাৰ টকা সংগ্ৰ কৰাৰ ঘটনাই সচেতন মহলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সম্পুৰ্ণ নীতি বৰ্হিভূতভাৱে কোনো ধৰণৰ বৈধ অনুমতি নোহোৱাকৈ নিৰ্মাণ কৰা দলংখনৰ ওপৰেদি দৈনিক পাৰাপাৰ হোৱা হাজাৰ হাজাৰ বনভোজ দল, শ শ দুচকীয়া, চাৰিচকীয়া বাহনৰ পৰা শ শ টকা সংগ্ৰহ কৰি আহিছে এটা চক্ৰই। বাঁহৰ দলংখনৰ বাবে যিকোনো সময়তে গুৰুতৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। আন নালাগে বহন সক্ষমতাৰ কোনো বিজ্ঞান সন্মত প্ৰমাণ পত্ৰ নথকাকৈয়ে দলংখনৰ ওপৰেদি অহা-যোৱা কৰা হাজাৰ হাজাৰ বনভোজ দলৰ জীৱন-সম্পত্তিক লৈ হেতালি খেলাৰ ঘটনাই সাধাৰণ ৰাইজৰ চকু কঁপালত তুলিছে। জিলা প্ৰশাসনৰ বিয়াগোম বিষয়া, চক্ৰ বিষয়া, দণ্ডাধীশৰ লগতে সদৰ আৰক্ষীৰ নাকৰ তলতে কি দৰে ইমান এক ভয়ংকৰ অবৈধ বেহা চলি আহিছে তাক লৈও ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখযোগ্য যে, মিছিং স্বায়ত্ব শাসন পৰিষদে বিগত বছৰৰ জুলাই মাহত মনজিৎ মিলি নামৰ এজন লোকক তিনি লাখ পোন্ধৰ হাজাৰ টকাৰ ৰাজহৰ বিনিময়ত দুবছৰৰ বাবে দিচাংমুখ পাৰঘাটত ফেৰী চলাচলৰ বাবে আৱণ্টন প্ৰদান কৰিছিল। কিন্তু দিচাংমুখ পাৰঘাটত ফেৰী চলোৱাৰ পৰিৱৰ্তে সম্পূৰ্ণ অবৈধভাৱে এখন অস্থায়ী বাঁহৰ দলং নিৰ্মাণ কৰে। এই দলঙখনৰ মাজেৰে প্ৰকৃতিৰ ৰম্যভূমি ঐতিহাসিক দিচাংমুখৰ নৈসৰ্গিক পৰিৱেশত বনভোজ খাবলৈ প্ৰতিবছৰে দিচাংমুখলৈ শীতৰ সময়চোৱাত হাজাৰ হাজাৰ বনভোজ দলৰ আগমণ ঘটে। পূৰ্বতে সম্পূৰ্ণ সুৰক্ষাৰ মাজেৰে বৃহৎ নাৱেৰে বনভোজ দলে দিচাং নদী পাৰ হৈ বালিচাপৰিত বনভোজ খাবলৈ গৈছিল। কিন্তু বিগত কিছু বছৰ ধৰি এটা চক্ৰই সম্পূৰ্ণ অবৈধ প্ৰক্ৰিয়াৰে নদীখনৰ ওপৰত এখন বাহৰ দলং নিৰ্মাণ কৰি ধন সংগ্ৰহত নামি পৰে। দৈনিক তিনিৰ পৰা চাৰি লাখ টকা পৰ্যন্ত বনভোজ দলৰ পৰা দলঙেদি পাৰ হোৱাৰ বাবদ সংগ্ৰহ কৰা এই লেচী বাহিনীৰ হাতত নাই কোনো বৈধ অনুমতি পত্ৰ। অভিযোগ অনুসৰি নদীৰ ওপৰত যি কোনো অস্থায়ী দলং নিৰ্মাণৰ বাবে অসম আৰক্ষীৰ সেৱা সেঁতুত আবেদন কৰিব লাগে। এই আবেদনৰ পিছত লোক নিৰ্মাণ বিভাগ, দুৰ্যোগ প্ৰশমণ বিভাগ, জিলা আয়ুক্তৰ কাৰ্য্যালয়, চক্ৰ বিষয়াৰ কাৰ্য্যালয়, অগ্নিনিৰ্বাপক বাহিনীয়ে নিৰ্মাণ কৰিবলগীয়া স্থান পৰিদৰ্শন কৰি প্ৰতিবেদন জমা দিব লাগিব আৰক্ষী অধীক্ষকৰ কাৰ্য্যালয়ত। ইয়াৰ পিছত পুনৰ কেইবাখলপীয়া অনুসন্ধান, প্ৰতিবেদনৰ ভিত্তিত সংশ্লিষ্ট বিভাগে আপত্তি বিহীন প্ৰমাণ পত্ৰ দিলেহে দলং নিৰ্মাণ কৰিব পাৰে। অন্যহাতে, দলঙৰ তলত প্ৰতি মুহূৰ্ততে প্ৰশিক্ষিত উদ্ধাৰকাৰী দল, লেচী, কৰ্মচাৰীৰ হাতত লাইফ জেকেট সাজু কৰি ৰাখিব লাগিছে। কিন্তু ৰাইজৰ অভিযোগ অনুসৰি এনে কোনো সুৰক্ষা ব্যৱস্থাতো বাদেই মিছিং স্বায়ত্ব শাসন পৰিষদৰ আৱণ্টন ভৰিৰে মোহাৰি এখন অস্থায়ী দলং নিৰ্মাণ কৰি ইয়াৰ ওপৰেদি প্ৰতিদিনেই শ শ চাৰিচকীয়া, দুচকীয়া বাহন অতি বিপজ্জনক ভাৱে পাৰাপাৰ হোৱাৰ ঘটনাই স্থানীয় ৰাইজক বাৰুকৈয়ে আতংকিত কৰি তুলিছে। বিশেষকৈ শিৱসাগৰ সদৰ আৰক্ষীৰ চকুৰ সন্মুখতেই ইমান এক বিপজ্জনক বেহা কিদৰে এটা দুষ্ট চক্ৰই বিগত চাৰিটা মাহ ধৰি নিৰ্বিঘ্নে চলাই থাকিবলৈ সক্ষম হৈছে তাক লৈ প্ৰশ্ন উত্থাপন হোৱাৰ লগতে অনাকাংক্ষিত ভয়ংকৰ ঘটনা সংঘটিত হ'লে তাৰ দায়িত্ব কোনে ল'ব তাক লৈও প্ৰশ্ন উত্থাপন হৈছে। সচেতন মহলে ভয়ংকৰ কিবা অঘটন হোৱাৰ পূৰ্বেই দলংখনেৰে সকলো যাতায়ত বন্ধ কৰিবলৈ জিলা আয়ুক্ত, জিলা আৰক্ষী অধীক্ষক, দুৰ্যোগ প্ৰশমণ বিভাগৰ প্ৰতি আহ্বান জনাইছে।

# বাঁহগড়ৰ ঐক্যবদ্ধ যুৱ সমাজৰ পদক্ষেপ, প্ৰথমবাৰৰ বাবে ভিলেজ কনক্লেভৰ আয়োজন

## যুৱ প্ৰজন্মৰ মানসিক চিন্তাধাৰা সবল কৰি তোলাৰ প্ৰয়াস আয়োজকৰ

**ই-সংবাদ, নাজিৰা, ২১ জানুৱাৰীঃ** অসমত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছে ব্যতিক্ৰমী অনুষ্ঠান। সমাজখনক সবলভাৱে আগবঢ়াই নিয়াৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হৈছে এই ব্যতিক্ৰমী অনুষ্ঠান। আমাৰ সমাজখনক সুন্দৰ, সমন্বিত চিন্তাৰে আগুৱাই নিবলৈ চেষ্টা কৰিছে শিৱসাগৰ জিলাৰ বাঁহগড়ৰ ঐক্যবদ্ধ যুৱ সমাজে। গাঁৱৰ চুকে-কোণে সোমাই থকা সুপ্ত প্ৰতিভাবোৰক বিকশিত কৰাৰ লগতে এখন প্লেটফৰ্ম দিবলৈ চেষ্টা কৰিছে ভিলেজ কনক্লেভে। সুজলা-সুফলা, শস্য-শ্যামলা আমাৰ এই সুন্দৰ পৃথিৱীখন প্ৰাকৃতিক বা কৃত্ৰিম কাৰকৰ বাবে দৈনিক ধ্বংসৰ দিশলৈ গৈ আছে। এই ধ্বংসৰ পৰা পৰিত্ৰাণ বিচাৰি ইউনাইটেড নেচনে নানান গৱেষণাৰ কৰি ছাষ্টেইনেবল ডেভেলপমেন্ট গ'লছ নামেৰে এক কাৰ্যসূচী লৈ ১৭টা লক্ষ্য বিশ্ববাসীৰ বাবে আগবঢ়াইছে। এই ১৭টা লক্ষ্য ২০৩০ চনৰ ভিতৰত প্ৰচাৰ আৰু ৰূপায়ণত গুৰুত্ব দি পৃথিৱীৰ লগতে জীৱকুলক সুৰক্ষা দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই লক্ষ্যসমূহৰ বিষয়ে গ্ৰামাঞ্চল সমূহতো প্ৰচাৰ আৰু প্ৰসাৰতাৰ উদ্দেশ্যে বাহঁগড় ঐক্যবদ্ধ যুৱ সমাজে ভিলেজ কনক্লেভ ০.১ কাৰ্যসূচী তিনিদিনীয়াকৈ ৰূপায়ণ কৰিছে যাতে গ্ৰাম্য জীৱনতো ইয়াৰ প্ৰভাৱ বিস্তাৰিত হয়। ইউএনয়ে আগবঢ়োৱা ১৭টা লক্ষ্য হৈছে ক্ৰমে- জলবায়ুৰ পৰিৱৰ্তনৰ প্ৰতি প্ৰদক্ষেপ, বিশুদ্ধ জল আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা, সু-স্বাস্থ্য আৰু মংগল, গুণগত শিক্ষা, দৰিদ্ৰতা নিৰ্মূল, ক্ষুধাৰ অৱসান, লিংগ সমতা, বিশুদ্ধ পানী আৰু অনাময়, পুনঃনৱীকৰণযোগ্য গ্ৰহণ যোগ্যতা, যোগ্যতাৰ ওপৰত ভিত্তি কৰি কাম আৰু অৰ্থনৈতিক বৃদ্ধি, শিল্প, নতুন উদ্ভাৱন আৰু অৱকাঠামো গঢ়ি তোলা, অসাম্য হ্ৰাস, দায়িত্বশীল ভোগ আৰু উৎপাদন, সাগৰীয় সম্পদৰ সুৰক্ষা, স্থলজ প্ৰাণীকুল আৰু বাসগৃহ সংৰক্ষণ, শান্তি, ন্যায় আৰু শক্তিশালী প্ৰতিষ্ঠান আৰু বহনক্ষম চহৰ আৰু সমাজ। এই ১৭টা লক্ষ্য বাঁহগড়ৰ খেলপথাৰত সুন্দৰকৈ সজাই তোলা দেখা গৈছে। ভিলেজ কনক্লেভ বিশেষ হিচাপে এই তিনিওটা দিনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, চিত্ৰাংকন, ৰচনা প্ৰতিযোগিতা, কবিতা আবৃত্তিকে ধৰি বিভিন্ন ধৰণৰ সাহিত্যৰ সৈতে জড়িত অনুষ্ঠানৰ আয়োজন কৰা হয়, য'ত বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। তদুপৰি গাঁৱৰ খেতিয়কসকলৰ মাজতো খেতি পথাৰত কিদৰে খেতি কৰিব লাগে, কিদৰে ধান খেতিৰ উৎপাদন বৃদ্ধি কৰিব পাৰি এই সন্দৰ্ভত বিশেষ আলোচনা কৰাৰ লগতে ভৱিষ্যতে কি পৰিকল্পনা গ্ৰহণ কৰিব সেই বিষয়ত আলোচনাত মিলিত হোৱা দেখা যায়। প্ৰকৃতিখনক সুন্দৰ কৰি ৰখাৰ স্বাৰ্থত গছপুলি ৰোপণ কৰি গাঁওখন কিদৰে সেউজীয়া কৰিব পাৰি এইধৰণৰ বিভিন্ন ব্যতিক্ৰমী পদক্ষেপ হাতত লৈ আয়োজন কৰিছে ভিলেজ কনক্লেভৰ।

# মাৰ্ঘেৰিটাৰ ৰেট হোল মাইনিঙত প্ৰশাসনৰ অভিযান

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২১ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ ৰেড হল মাইনিঙত মাৰ্ঘেৰিটা সমজিলাৰ প্ৰশাসনে অভিযান অব্যাহত ৰাখিছে। ডিজিপিয়ে ৭ দিনৰ ভিতৰত মাৰ্ঘেৰিটা লিডু পাটকাই পাহাৰত অব্যাহত থকা অবৈধ কয়লাখনি (ৰেট হোল মাইনিং) বন্ধ কৰিবলৈ আৰক্ষীক নিৰ্দেশনা দিয়াৰ পাছতেই সষ্টম হৈ পৰিছে মাৰ্ঘেৰিটাৰ আৰক্ষীৰ প্ৰশাসন। তিনিচুকীয়া জিলা প্ৰশাসনৰ নিৰ্দেশত মাৰ্ঘেৰিটাৰ ভিন্ন স্থানত ৪ টা গোটে চলাইছে অভিযান। মাৰ্ঘেৰিটা-লিডুৰ বিভিন্ন স্থানত অব্যাহত থকা অবৈধ কয়লাখনি (ৰেট হোল মাইনিং)ৰ বিৰুদ্ধে প্ৰশাসনে তীব্ৰতৰ কৰি তুলিছে অভিযান। নামদাংস্থিত অবৈধ কয়লাখনি (ৰেট হোল মাইনিং)ত আজিও চলিল আৰক্ষীৰ অভিযান। উল্লেখ্যে যে যোৱা শনিবাৰে মাৰ্ঘেৰিটা আৰক্ষীৰ প্ৰশাসন, মাৰ্ঘেৰিটা সমজিলা প্ৰশাসন, এপিডিচিএল মাৰ্ঘেৰিটা আৰু উত্তৰ পূব কয়লাক্ষেত্ৰ, মাৰ্ঘেৰিটাই যৌথভাৱে অভিযান চলাই এখন এক্সেভেটৰসহ ৩ জন শ্ৰমিকক আটক কৰিছিল। লগতে উক্ত অভিযানত নামদাং কলিয়ৰিত অব্যাহত ৰখা ১৩ টাকৈ অবৈধ কয়লাখনি(ৰেড হল মাইনিং) ছীল কৰি দিছিল। আজি পুনৰ মাৰ্ঘেৰিটা আৰক্ষীৰ প্ৰশাসন, সমজিলা প্ৰশাসন আৰু উত্তৰ পূব কয়লাক্ষেত্ৰই মাৰ্ঘেৰিটাৰ নামদাংস্থিত অবৈধ কয়লাখনি(ৰেড হল মাইনিং)ৰ উপৰি লিডু, টিৰাপ, টিকক আদি কেইবাটাও স্থানত অবৈধ কয়লাখনি(ৰেড হল মাইনিং)ৰ বিৰুদ্ধে অভিযান চলায়। এই অভিযানত কেইবাটাও অবৈধ কয়লাখনি(ৰেড হল মাইনিং) প্ৰশাসনে ছীল কৰি দিয়ে।

# গোলকগঞ্জত মহিলাক বলাৎকাৰ কৰি গ্ৰেপ্তাৰ বনকৰ্মী

**ই-সংবাদ, গোলকগঞ্জ, ২১ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ৰতিয়াদাহ দ্বিতীয় খণ্ড গাঁৱত এগৰাকী মহিলাক বলাৎকাৰ কৰি গৌৰীপুৰ বিট অফিচৰ এগৰাকী বনকৰ্মী ৰঙাঘৰৰ আলহী হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ধুবুৰী থানাৰ অন্তৰ্গত মানিকপুৰ গাঁৱৰ ছোৱাহান খন্দকাৰৰ পুত্ৰ খন্দকাৰ ৰেজ্জাক আহমেদ গাঁওখনৰ এগৰাকী বিবাহিতা মহিলাক দিনে নিশাই ফোন কৰি দীৰ্ঘদিনৰ পৰা অপকৰ্ম কৰাৰ চেষ্টা চলাই আছিল। যোৱা ২০ ডিচেম্বৰত সুযোগ বুজি দুবাৰকৈ বিবাহ পাশত আবদ্ধ হোৱা বনকৰ্মী খন্দকাৰ ৰেজ্জাক আহমেদে নিশা আন্ধাৰৰ সুযোগ গ্ৰহণ কৰি মহিলাগৰাকীক বলাৎকাৰ কৰে। এই সন্দৰ্ভত মহিলা গৰাকীয়ে ১৭ জানুৱাৰীত গোলকগঞ্জ থানাত বনকৰ্মী খন্দকাৰ ৰেজ্জাক আহমেদৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে।

## পেটৰ তাড়নাত কাম কৰিবলৈ গৈ সাবতি ল'লে অকাল মৃত্যুক

# কলগাছিয়াৰ শ্ৰমিকক অৰুণাচলত হত্যা, শোকৰ ছাঁ

**ই-সংবাদ, কলগাছিয়া, ২১ জানুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালাৰপাথাৰ গাঁৱৰ শ্ৰমিক অৰুণাচল প্ৰদেশত কাম কৰিবলৈ গৈ দুৰ্বৃত্তৰ গুলীত মৃত্যু হোৱা ঘটনাত কলগাছিয়াত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, বালাৰপাথাৰ গাঁৱৰ প্ৰয়াত ভোলা খানৰ পুত্ৰ ছাহিদুল খান ম'বাইল টাৱাৰ নিৰ্মাণৰ কামত অৰুণাচল প্ৰদেশৰ ইষ্ট কামেং জিলালৈ যায়। কিন্তু যোৱা ১৯ জানুৱাৰী পুৱা ৮ বজাত কোনো দুৰ্বৃত্তই ছাহিদুল খানক গুলীয়াই হত্যা কৰে। পিছত অৰুণাচলৰ আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি নিজ গৃহলৈ প্ৰেৰণ কৰে। পেটৰ তাড়নাত কাম কৰিবলৈ গৈ যুৱকজনে অকাল মৃত্যুক সাবটি লোৱাত গাঁওখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। লগতে পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰীৰ মৃত্যু হোৱাত পৰিয়ালটোত হাঁহ নচৰা পৰিস্থিতিৰ সৃষ্টি হৈছে। সোমবাৰে যুৱকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰি নিজ গৃহ বালাৰপাথাৰত কবৰস্থ কৰা হয়। ইতিমধ্যে আৰক্ষীয়ে হত্যাকাণ্ডৰ তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# ছিপাঝাৰ আছুৰ নতুন সমিতি গঠন

**ই-সংবাদ, দুমুনিচকী, ২১ জানুৱাৰীঃ** দৰং জিলাৰ ছিপাঝাৰৰ শ্বহীদ ভৱনত আজি অনুষ্ঠিত হয় ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা। উক্ত সভাত শতাধিক প্ৰতিনিধিৰ উপস্থিতিত ছিপাঝাৰ আঞ্চলৰ শৈক্ষিক দিশৰ লগতে বিভিন্ন সমস্যাৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। আজিৰ সভাই চুমন বৰদলৈক সভাপতি, ৰিকুশ্ৰী ৰায় বৰুৱা, পীযুষ কান্তিৰ সহিতে পাঁচ গৰাকী উপ-সভাপতি আৰু অক্ষয় কুমাৰ ডেকাক সাধাৰণ সম্পাদক, নীলোৎপল নাথ,পাৰ্থ প্ৰতিম চহৰীয়াৰ সহিতে পাঁচ গৰাকী সহকাৰী সাধাৰণ সম্পাদক হিচাপে লৈ ৫১ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰি দিয়ে। আগন্তুক ৩ বছৰলৈ এই সমিতি খনে কাৰ্যনিৰ্বাহক কৰিব।



**বৰপেটাৰোড আঞ্চলিক বন বিভাগৰ অভিযানত আটক দুই চোৰাং চিকাৰী, ফটোঃ ই-সংবাদ, বৰপেটাৰোড**

# পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্য আৰম্ভ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২১ জানুৱাৰীঃ** ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালৰ সাংসদ পুঁজিৰে নিৰ্মাণ কাৰ্য আৰম্ভ হ'ল পানীতোলা জ্যেষ্ঠ নাগৰিক সন্থাৰ কাৰ্যালয় গৃহৰ। তিনিচুকীয়া জিলাৰ পানীতোলা আৰক্ষী চকীৰ অন্তৰ্গত জ্যেষ্ঠ নাগৰিকসকলক লৈ ২০১০ চনতে স্থাপিত হৈছিল পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থা। বয়সে ভাটি দিবলৈ লোৱা সময়ছোৱাতে এক সু-সংগঠিত ৰূপত সামাজিক দায়বদ্ধতা ৰক্ষা কৰি গঠিত হোৱা পানীতোলা জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰয়োজন আছিল এটা স্থায়ী কাৰ্যালয় গৃহৰ। বহু চিন্তা-চৰ্চা, পৰিকল্পনাৰ অন্তত এটা স্থায়ী কাৰ্যালয় গৃহ নিৰ্মাণৰ বাবে অনুদান লাভ কৰিবলৈ সক্ষম হ'ল পানীতোলা জ্যেষ্ঠ নাগৰিক সন্থাই। ভাৰত চৰকাৰৰ কেন্দ্ৰীয় মন্ত্ৰী তথা সাংসদ সৰ্বানন্দ সোণোৱালৰ সাংসদ পুঁজিৰে নিৰ্মাণ কাৰ্য অলপতে আৰম্ভ হয়। তিনিচুকীয়াৰ গোবিন্দপুৰ যোগীপথাৰত ১৫ লাখ টকা ব্যয়ৰে পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ স্থায়ী কাৰ্যালয় গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ সৈতে সংগতি ৰাখি মায়ামৰা ধৰ্মীয় সমাজৰ ভকত-বৈষ্ণৱৰ পৰম্পৰাগত ৰীতি-নীতিৰে লাইখুঁটা স্থাপনৰ মাংগলিক কাৰ্য সম্পন্ন হয়। সংস্থাৰ সদস্য ভকত তথা গাঁওবুঢ়া গৌৰীকান্ত গোঁহাই, বৰভকত যাত্ৰানাথ গোঁহায়ে মাংগলিক প্ৰথাৰে পৰ্বটি সম্পন্ন কৰে। এই কাৰ্যসূচী অনুসৰি পানীতোলা জ্যেষ্ঠ সংস্থাৰ সভাপতি বিমল চন্দ্ৰ বৰুৱা আৰু সাধাৰণ সম্পাদক দীনেশ দাসে কাৰ্যালয় গৃহৰ শিলান্যাস কৰে। লাইখুঁটা স্থাপন কাৰ্যসূচীত পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ উপদেষ্টা যজ্ঞেশ্বৰ চেতিয়া, দেৱেশ্বৰ সোণোৱাল, মিলন গোঁহাই, উপ-সভাপতি শ্ৰীৰাম চৌবে, প্ৰাক্তন সম্পাদক নবীন কুমাৰ, কাৰ্যনিৰ্বাহকৰ সদস্য-সদস্যাসকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে বুলি পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ সাধাৰণ সম্পাদক দীনেশ দাসে জানিবলৈ দিছে।

# অইল ইণ্ডিয়াৰ 'প্ৰজেক্ট স্বাৱলম্বন'ৰ জৰিয়তে স্বাৱলম্বী উজনিৰ শ শ নিবনুৱা

**ই-সংবাদ, ডুমডুমা, ২১ জানুৱাৰীঃ** অসমৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক নিশ্চিত কৰ্মসংস্থাপনৰ অৰ্থে অইল ইণ্ডিয়া লিমিটেডৰ অন্যতম কাৰ্যসূচী হৈছে- 'Skill Development Programme on Tourism and Hotel Management'। অইল ইণ্ডিয়া লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অন্তৰ্গত 'প্ৰজেক্ট স্বাৱলম্বন' নামৰ আঁচনিয়ে উজনিৰ বহু শিক্ষিত নিবনুৱা যুৱক-যুৱতীক নিশ্চিত কৰ্মসংস্থাপন প্ৰদান কৰি পৰিয়ালৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। উজনিৰ চাৰি জিলা ক্ৰমে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ তৈল অধ্যুষিত জিলাত ফলপ্ৰসূ ৰূপায়ণ হোৱা অইল ইণ্ডিয়াৰ এই আঁচনিয়ে শ শ নিবনুৱা যুৱক-যুৱতীৰ জীৱন সলনি কৰি দিয়াৰ লগতে পৰিয়ালৰ আন আন সদস্যসকলৰ জীৱনতো ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। স্মৰ্তব্য যে, অইল ইণ্ডিয়াৰ এই সামাজিক দায়বদ্ধ আঁচনিৰ জৰিয়তে শিক্ষিত কৰ্মপ্ৰত্যাশী নিবনুৱা যুৱক-যুৱতীসকলক 'প্ৰগ্ৰেম অন টুৰিজিম এণ্ড হস্পিটেলিটি মেনেজমেণ্ট' বিষয়ত প্ৰশিক্ষণ দিয়াৰ অন্তত এশ শতাংশ নিশ্চিত কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰা হয়। প্ৰশিক্ষণৰ সময়ছোৱাত কম্পিউটাৰ শিক্ষা, ব্যক্তিত্বৰ প্ৰতিভা, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক যোগাযোগত ব্যৱহৃত ভাষাৰ কথনশৈলীৰ সাৱলীলতাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হয়। এই আঁচনি ভাৰত চৰকাৰৰ এন এচ ডি চিৰ অন্তৰ্গত। এই আঁচনিৰ আধাৰত ইতিমধ্যে কেইবাহেজাৰো নিবনুৱা যুৱক-যুৱতীয়ে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লগতে সুদূৰ ইংলেণ্ড, আমেৰিকা, ইটালী, মালদ্বীপ, ড'হা, ছিংগাপুৰ, ইউ এ ই, বাৰ্লিন, আবু ধাবি, কাটাৰ, ডুবাই আদিত অতি আকৰ্ষণীয় দৰমহাৰে চাকৰি কৰি আছে। প্ৰাপ্ত তথ্য অনুসৰি, এই আঁচনিৰ আধাৰত প্ৰশিক্ষিত তিনিচুকীয়া জিলাৰ শদিয়া সেউজ নগৰৰ পুনম শৰ্মাই ইটালীৰ ক্ৰষ্টা ক্ৰুইজত, তিনিচুকীয়াৰ বিষ্ণুপুৰৰ দশৰথ দেৱনাথে মালদ্বীপৰ অ'বলু এক্সপেৰিয়েঞ্চ আলিয়াফুচিত, মাৰ্ঘেৰিটাৰ নীলপ'ল গগৈয়ে ড'হাৰ ছেৰাতন গ্ৰেণ্ডতনিয়োজিত হৈ আছে। একেদৰে ফিল'বাৰীৰ পদুম পথাৰৰ নমিতা শইকীয়াই বেংগালুৰুৰ এলফ্টত, তিনিচুকীয়াৰ ২ নং কেন্দুগুৰিৰ নিপু কলিতাই গোৱাৰ হায়াট চেন্ট্ৰিকত, দুলিয়াজানৰ নিৰজ দত্তই ড'হাৰ মিলেনিয়াম প্লাজাত, তালাপৰ চয়নিকা সোণোৱালে চেন্নাইৰ কাউণ্ট্ৰিয়াৰ্ড মেৰিয়টত সংস্থাপিত হৈ নিজৰ লগতে পৰিয়ালক পোহপাল দি আছে। ইফালে, তিনিচুকীয়াৰ লোণপুৰীয়াৰ কৌশল্যা প্ৰধান এয়াৰ ইণ্ডিয়াত এয়াৰ হোষ্টেচ হিচাপে কৰ্মৰত। শত-সহস্ৰ চাকৰি লাভ কৰাসকলৰ ভিতৰত এয়া দুটামান উদাহৰণহে মাত্ৰ। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল এয়ে যে অইলৰ এই প্ৰজেক্ট স্বাৱলম্বনৰ আধাৰত প্ৰদান কৰা 'টুৰিজিম এণ্ড হস্পিটেলিটি মেনেজমেণ্ট'ৰ প্ৰশিক্ষণ সম্পূৰ্ণ বিনামূলীয়া। এশ শতাংশ নিশ্চিত কৰ্মসংস্থাপনৰ নিশ্চয়তা থকা এই প্ৰশিক্ষণৰ সময়ত যুৱক-যুৱতীসকলক আত্মকেন্দ্ৰিক হোৱাৰ পৰিৱৰ্তে নিজৰ পৰিয়ালৰ পিতৃ-মাতৃ, ভাতৃ-ভগ্নীৰ প্ৰতিও দায়বদ্ধ হ'বলৈ মানসিকভাৱে প্ৰস্তুত কৰি তোলা হয়। ইয়াৰ আধাৰত সংস্থাপন পোৱা যুৱক-যুৱতীসকলে পিতৃ-মাতৃৰ চিকিৎসা, নিজৰ সপোনৰ গৃহ নিৰ্মাণ, ভাতৃ-ভগ্নীৰ শিক্ষাৰ দায়িত্ব আদিও গ্ৰহণ কৰা দেখা গৈছে। এইখিনিতে উল্লেখ কৰাটো প্ৰয়োজন যে অইল ইণ্ডিয়াৰ প্ৰজেক্ট 'স্বাৱলম্বন' আঁচনি কাৰ্যকৰী কৰা প্ৰতিষ্ঠান গুৱাহাটীস্থিত 'প্ৰগতি এডুটেক'ত প্ৰশিক্ষণ গ্ৰহণ কৰি এইসকল নিবনুৱাই নিশ্চিত কৰ্মসংস্থাপন লাভ কৰিছে। প্ৰণিধানযোগ্য যে নৱ-প্ৰজন্মৰ বহু যুৱক-যুৱতীয়ে কৰ্মসংস্থাপনৰ অভাৱত হতাশাগ্ৰস্ত হৈ মদ, ভাং, কানি, ড্ৰাগছ আদি নিচাযুক্ত দ্ৰব্যৰ সংস্পৰ্শলৈ আহি অন্ধকাৰ ভৱিষ্যতৰ বাটবোলাৰ লগতে আন এচামে অপৰাধ জগততো ভৰি দিয়া দেখা গৈছে। বিপথে যোৱা এইসকল যুৱক-যুৱতীয়ে এনে আঁচনিৰ যোগেদি জীৱনত আশাৰ ৰেঙনি নিশ্চিতভাৱে কঢ়িয়াই আনিবলৈ সক্ষম হ'ব। এনে প্ৰেক্ষাপটত এই আঁচনিৰ ধাৰাবাহিকতা বৰ্তাই ৰাখিবলৈ সচেতন মহলে অইল ইণ্ডিয়াক আহ্বান জনাইছে।

# তামুলপুৰত জাতীয় পতাকা বিক্ৰীকেন্দ্ৰ আৰু ম'বাইল ভেন মুকলি

**ই-সংবাদ, তামুলপুৰ, ২১ জানুৱাৰীঃ** ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগ আৰু তামুলপুৰ আঞ্চলিক গ্ৰামদান সংঘ, কুমাৰীকাটাৰ সহযোগত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ওচৰত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এটি জাতীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰে। নিজৰ চমু ভাষণত জিলা আয়ুক্তগৰাকীয়ে কয় যে এই উদ্যোগৰ মুখ্য উদ্দেশ্য হৈছে স্থানীয় শিল্পীসকলৰ দ্বাৰা প্ৰস্তুত কৰা হাতেৰে নিৰ্মিত ৰাষ্ট্ৰীয় পতাকাৰ প্ৰচাৰ-প্ৰসাৰ কৰা, অঞ্চলটোৰ বহুতো ভিতৰুৱা প্ৰান্তলৈ ইয়াক পোৱাৰ সুবিধা সুনিশ্চিত কৰা আৰু সৰ্বসাধাৰণৰ মাজত দেশপ্ৰেমৰ চেতনা জাগ্ৰত কৰা। বিক্ৰী কেন্দ্ৰটোৰ উপৰি এখন ম'বাইল ভেনৰো আজি আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰীৰ লগতে পৌৰপতি বাণীকান্ত বসুমতাৰীয়ে পতাকা জোকাৰি শুভাৰম্ভ কৰে। ভেনখনে তামুলপুৰ আৰু গোৰেশ্বৰত দুদিনৰ বাবে পৰিভ্ৰমণ কৰি এই উদ্যোগ গ্ৰাম্য জনসাধাৰণৰ মাজলৈ লৈ যাব। আজিৰ অনুষ্ঠানত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, পৌৰপতি বাণীকান্ত বসুমতাৰী, উপাধ্যক্ষ অৰ্চনা চৌধুৰী, অতিৰিক্ত আয়ুক্ত




ড° দীপাংকৰ নাথ, সহকাৰী আয়ুক্ত হিতেশ বড়ো আৰু অৰুণিমা কাকতি, তামুলপুৰ আঞ্চলিক গ্ৰামদান সংঘ, কুমাৰীকাটাৰ অধ্যক্ষ যতীন চৰকাৰ, খাদী গ্ৰামোদ্যোগ বিদ্যালয়ৰ অধ্যক্ষ অনন্ত কুমাৰ সিং, সাংবাদিক পেন্সনাৰ খগেন বৈশ্যসহ বিশিষ্ট নাগৰিকসকল উপস্থিত থাকে। সহকাৰী আয়ুক্ত অৰুণিমা কাকতিৰ শলাগৰ শৰাইৰে অনুষ্ঠানটিৰ সামৰণি পৰে।

# দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেৰিয়াৰ পৰামৰ্শ



**ই-সংবাদ, গুৱাহাটী, ২১ জানুৱাৰীঃ** কামৰূপ জিলাৰ হাজোৰ কুলহাটীস্থিত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন কেৰিয়াৰ পৰামৰ্শ সভা আজি দিনৰ ১ বজাত অনুষ্ঠিত হয়। স্নাতকোত্তৰ শিক্ষয়িত্ৰী ড০ ৰঞ্জিতা গোস্বামীয়ে আঁত ধৰা আৰু দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সূৰ্য কুমাৰ ভট্টাচাৰ্যই সভাপতিত্ব কৰা কেৰিয়াৰ পৰামৰ্শ সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডন বস্ক' বিশ্ববিদ্যালয় প্ৰযুক্তি বিদ্যাপীঠৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ড০ বুলজিৎ বুঢ়াগোহাঁই। ড০ বুঢ়াগোহাঁয়ে শিক্ষাৰ্থীসকলে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি বিষয় অধ্যয়ন কৰিলে ভৱিষ্যতে কেনেধৰণৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব পাৰে, তাৰ বিষয়ে আলোচনা কৰে। ব্যক্তিত্বৰ লগতে নিজৰ ৰাপ, পাৰদৰ্শিতা অনুসৰি শিক্ষাৰ্থীসকলে কেৰিয়াৰ নিৰ্বাচন কৰিলে কলা, বিজ্ঞান বা বাণিজ্য যিকোনো শাখাৰ পাঠ্যক্ৰমতে ভালদৰে উত্তীৰ্ণ হৈ নিজৰ দক্ষতা প্ৰকাশ কৰিব পাৰিলে সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰে বুলি ড০ বুলজিৎ বুঢ়াগোহাঁয়ে উল্লেখ কৰে। ড০ বুঢ়াগোহাঁয়ে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা নিযুক্তিৰ বাবে আয়োজন কৰা সাক্ষাৎকাৰবোৰত সাধাৰণ জ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে। পৰম্পৰাগত সাধাৰণ জ্ঞান আহৰণ কৰিবলৈ বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে সকলো বিষয়ৰ পাঠ্য পুথি ভালদৰে অধ্যয়ন কৰা, সাম্প্ৰতিক ঘটনা প্ৰবাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰি কাকত তথা বিভিন্ন আলোচনীৰ নিয়মীয়াকৈ পঢ়াৰ অভ্যাস গঢ়া, নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান আৰু টেলিভিছনৰ বাতৰি অনুষ্ঠানবোৰৰ পৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি ৰাখিব লাগে বুলি উল্লেখ কৰে। দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম আৰু একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থকা কেৰিয়াৰ পৰামৰ্শ সভাখনত ড০ বুলজিৎ বুঢ়াগোহাঁয়ে শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰশ্নৰ সমিধান আগবঢ়োৱাৰ লগতে প্ৰতি শনিবাৰে বিয়লি ৬ বজাৰৰ পৰা ৯ বজালৈ ফোনযোগে বিনামূলীয়াকৈ কেৰিয়াৰ পৰামৰ্শ আগবঢ়োৱাৰ বিষয়েও অৱগত কৰে।

## গুৱাহাটী আই আই টিৰ চৌহদত উদ্ভাৱনৰ ন ন কৌশল প্ৰদৰ্শন

# আই আই টি গুৱাহাটীত পেন আই আই টি মিট ২০২৫

**ই-সংবাদ বিশেষ, উত্তৰ গুৱাহাটী, ২১ জানুৱাৰীঃ** আই আই টি গুৱাহাটীত অনুষ্ঠিত হয় পেন আই আই টি মিট ২০২৫। দেশৰ মুঠ ২৩ খন আই আই টিৰ ৬ খন আই আই টি ক্ৰমে গুৱাহাটী, হাইদৰাবাদ, ভুৱনেশ্বৰ, তিৰুপতি, ৰ'পাৰ আৰু গান্ধীনগৰ আই আই টিৰ গৱেষক প্ৰতিনিধিৰ দলসমূহে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। উদ্ভাৱনৰ ন ন কৌশল প্ৰদৰ্শনৰ বাবে আকৰ্ষণীয় হৈ পৰিছে গুৱাহাটী আই আই টিৰ চৌহদ। ন ন উদ্ভাৱন কৌশল আৰু উদ্যমিতা বিকাশৰ এক উৎকৃষ্ট নিদৰ্শন আগবঢ়াইছে গৱেষক প্ৰতিনিধিসকলে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ভয়াৱহতাৰ পৰা আদি কৰি মানৱ শৰীৰত স্থাপন কৰিব পৰা বহু অত্যাধুনিক যন্ত্ৰপাতি গৱেষক ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰি চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰখনত নতুন সম্ভাৱনাৰ সূচনা কৰিছে। উল্লেখ্য যে অসমৰ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ ক্ষেত্ৰত থাকিব পৰা বিভিন্ন সুযোগ আৰু সম্ভাৱনাসমূহ গৱেষক প্ৰতিনিধিসকলে উন্মোচন কৰি অসমৰ অৰ্থনীতক আৰু অধিক ত্বৰান্বিত কৰাৰ পথ প্ৰশস্ত কৰাৰ গুৰুত্বপূৰ্ণ পৰ্যালোচনা আগবঢ়ায়। অনুষ্ঠানত উদ্যমিতাৰ বিকাশৰ ক্ষেত্ৰত নতুন উদ্ভাৱন কৌশল প্ৰদৰ্শন কৰা প্ৰাক্তন আই আই টিয়ানসকলক পুৰস্কৃত কৰা হয়। আই আই টি গুৱাহাটীৰ প্ৰাক্তন সঞ্চালকসকল ক্ৰমে ড০ ডি এন বুঢ়াগোহাঁই, প্ৰফেছৰ গৌতম বৰুৱা, অসমৰ মুখ্য সচিব ৰবি ক'টাৰ লগতে আই আই টি গুৱাহাটীৰ সঞ্চালক দেৱেন্দ্ৰ জলিহাল অনুষ্ঠানত উপস্থিত থাকে। উদ্যমিতা আৰু ন ন উদ্ভাৱনী কৌশল বিকাশৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে কিদৰে আৰু অধিক আকৰ্ষিত হ'ব পাৰে তাৰ ওপৰত তেওঁলোকে মনোজ্ঞ বক্তব্য আগবঢ়ায়। আজিৰ পেন আই আই টি মিট ২০২৫ত উত্তৰ পূব ভাৰতৰ বহুকেইখন ঔদ্যোগিক প্ৰতিষ্ঠানৰ লগতে বহু আত্মসহায়ক গোটৰ সদস্যইও অংশগ্ৰহণ কৰে। অনুষ্ঠানটোক লৈ সকলোৱে সন্তুষ্টি ব্যক্ত কৰিছে।

# নগাঁৱত ড্ৰেগন ফল খাই প্ৰাণ গ'ল বিবাহিতা মহিলাৰ

**ই-সংবাদ, বেৱেজীয়া, ২১ জানুৱাৰীঃ** নগাঁও জিলাৰ উত্তৰ-পশ্চিম প্ৰান্তৰ জুৰীয়াৰ বগৰিগুৰিত ড্ৰেগন ফল খাই এগৰাকী বিবাহিতা মহিলাৰ প্ৰাণহানি হোৱা ঘটনাই অঞ্চলজুৰি ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত মহিলাগৰাকী বগৰিগুৰিৰ নিবাসী আতাউৰ ৰহমানৰ পত্নী নিৰ্মলা খাতুন(২৫) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ মতে, নিৰ্মলা খাতুনে ড্ৰেগন ফল খোৱাৰ বাবে ইচ্ছা কৰাত স্বামী আতাউৰ ৰহমানে সোমবাৰে সন্ধিয়া বজাৰৰ পৰা ড্ৰেগন ফল কিনি আনে। নিশা ঘৰৰ সকলোৱে সেই ফল কাটি খায় যদিও খোৱাৰ কিছুসময়ৰ পিছতে নিৰ্মলা খাতুন অসুস্থ হৈ বিছনাত শুই পৰি প্ৰায় অচেতন হৈ পৰে। লগে লগে পৰিয়ালৰ লোকে মহিলাগৰাকীক চিকিৎসাৰ বাবে দগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যায় যদিও চিকিৎসকে মহিলাগৰাকীক পৰীক্ষা কৰি মৃত বুলি ঘোষণা কৰে। পিছত ঘটনাৰ খবৰ পাই স্থানীয় আৰক্ষী আহি চৰজমিন প্ৰাথমিক তদন্ত চলোৱাৰ লগতে মহিলাগৰাকীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে, মহিলাগৰাকীৰ মৃত্যু সন্দৰ্ভত স্বামী আতাউৰ ৰহমানৰ ভাষ্য মানি ল'ব পৰা নাই মহিলাগৰাকীৰ পিতৃগৃহৰ পৰিয়ালে। তেওঁলোকৰ অভিযোগ স্বামীৰ নিৰ্যাতনৰ ফলতহে মহিলাগৰাকীয়ে মৃত্যুক সাবটিবলগীয়া হৈছে। সেয়ে এনে অভিযোগৰ পিছতেই মহিলাগৰাকীৰ মৃত্যুক কেন্দ্ৰ কৰি ৰহস্যৰ সৃষ্টি হৈছে। অৱশ্যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ পিছতহে প্ৰকৃত সত্য পোহৰলৈ আহিব।

# মুক্তিযোদ্ধা প্ৰসন্ন কুমাৰ গোস্বামীৰ জন্ম শতবাৰ্ষিকীত স্মৃতিচাৰণ সভাৰ আয়োজন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২১ জানুৱাৰীঃ** মুক্তিযোদ্ধা, অৱসৰপ্ৰাপ্ত শিক্ষক, কথাছবি অভিনেতা, অসম চৰকাৰৰ নটসূৰ্য ফণীশৰ্মা বঁটাপ্ৰাপক প্ৰসন্ন কুমাৰ গোস্বামীৰ জন্ম শতবৰ্ষ বিগত কাতি বিহুৰ দিনাৰ পৰা বৰ্ষজোৰা কাৰ্যসূচীৰে উদযাপন সমিতিখনে পালন কৰি আছে। তেওঁৰ মৃত্যু দিন ২৮ জানুৱাৰীত স্মৃতিচাৰণ সভা গোস্বামীৰ কৰ্মস্থলী দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত কৰিবলৈ আয়োজন কৰিছে। সমিতিৰ সভাপতি পূৰ্ণকান্ত বৰা, কাৰ্যকৰী সভাপতি ডক্টৰ লক্ষ্মীকান্ত হাজৰিকা, সম্পাদক মহেন্দ্ৰ দত্তই সেইদিনাৰ স্মৃতিচাৰণ সভাত তেওঁ শিক্ষাদান কৰা শিক্ষাৰ্থীসকলৰ লগতে শুভাকাংক্ষী ব্যক্তি আৰু জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাসকলৰ উপস্থিতি কামনা কৰিছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


## গুণোৎসৱত 'সীৰলু' উন্মোচন বহিঃনিৰীক্ষকৰ

**ই-সংবাদ, পশ্চিম যোৰহাট, ২১ জানুৱাৰীঃ** ৰাজ্যৰ ১৩ খন জিলাৰ লগতে যোৰহাট জিলাত অনুষ্ঠিত হৈ থকা দ্বিতীয় পৰ্যায়ৰ দ্বিতীয় দিনাৰ গুণোৎসৱত পশ্চিম যোৰহাট অঞ্চলৰ সৰুচৰাই চাহবাগিচাস্থিত মুক্তিযোদ্ধা সুখলাল ৰাজপুত আদৰ্শ বিদ্যালয়ত অনুষ্ঠিত গুণোৎসৱলৈ বহিঃনিৰীক্ষকৰূপে উপস্থিত হোৱা যোৰহাট দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ অঞ্জলি চুতীয়া শইকীয়াই বিদ্যালয়খনৰ শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে আকৰ্ষণীয়কৈ যুগুতাই উলিওৱা প্ৰাচীৰ পত্ৰিকা 'সীৰলু'ৰ তৃতীয় সংখ্যা উন্মোচন কৰে। পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া উপস্থিত থকা আৰু বিদ্যালয়খনৰ অধ্যক্ষ প্ৰসাধন শৰ্মাই আঁত ধৰা অনুষ্ঠানত প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি বহিঃনিৰীক্ষকগৰাকীয়ে প্ৰাচীৰ পত্ৰিকাৰ ইতিহাস ব্যাখ্যা কৰে। গুণোৎসৱৰ উদ্দেশ্যে পুৱা প্ৰাতঃ সভাত বাল্য বিবাহ প্ৰতিৰোধ সম্পৰ্কীয় বক্তৃতা প্ৰদান কৰে এগৰাকী শিক্ষাৰ্থীয়ে। উল্লেখ্য যে, অসম চৰকাৰে চাহ বাগিচাত প্ৰতিষ্ঠা কৰা বিদ্যালয়খনত ষষ্ঠ, সপ্তম, অষ্টমত ৫০ গৰাকী আৰু নৱমত ৫০ গৰাকী মুঠ ১০০ গৰাকী শিক্ষাৰ্থীয়ে অধ্যয়ন কৰি আছে। তদুপৰি, আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে কুৰিগৰাকী শিক্ষাৰ্থী সাজু হৈছে। গুণোৎসৱস্থলীত প্ৰায়সকল অভিভাৱক উপস্থিত থাকি সহযোগিতা কৰে।

## বহিঃৰাজ্যত সন্ধানহীন নগাঁৱৰ জাজৰিৰ ব্যক্তি

**ই-সংবাদ, বেৱেজীয়া, ২১ জানুৱাৰীঃ** পেটৰ তাড়নাত বহিঃৰাজ্যত কৰ্মৰত অসমৰ যুৱক তথা বয়োজ্যেষ্ঠ ব্যক্তি সময়ে সময়ে সন্ধানহীন হৈ অহাৰ সময়তে পুনৰ সংঘটিত হৈছে অনুৰূপ ঘটনা। এইবাৰ সন্ধানহীন হৈছে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ বৰিবজাৰ আৰক্ষী পহৰা চকীৰ এলেকাধীন জাজৰিৰ পাঘালী গাঁৱৰ যাঠি উৰ্ধ্বৰ এজন ব্যক্তি। আচলতে, বহিঃৰাজ্য তামিলনাড়ুত কৰ্মৰত ভূমি হীৰা নামৰ ব্যক্তিজন গৃহাভিমুখে আহি থকা অৱস্থাত ৰহস্যজনকভাবে সন্ধানহীন হৈছে। ব্যক্তিজন নিখোঁজ হৈ পৰাত এতিয়া পৰিয়ালৰ লোকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। আনকি ব্যক্তিজনৰ পৰিয়ালৰ লোকে সম্ভাব্য সকলো ঠাইত বিচাৰ-খোচাৰ কৰিও এঘাৰ দিন অতিক্ৰম হোৱাৰ পিছতো এতিয়ালৈকে কোনো সন্ধান উলিয়াব পৰা নাই। কাজেই, এনেদৰে গৃহাভিমুখী ব্যক্তিজন নিৰুদ্দেশ হৈ পৰাত ব্যক্তিজনৰ পৰিয়ালৰ লোকসকল এতিয়া দুঃশ্চিন্তাত সময় অতিবাহিত কৰাৰ লগতে মানসিকভাৱে ভাগি পৰিছে। লগতে উপায়হীন হৈ এই সন্দৰ্ভত স্থানীয় বৰিবজাৰ আৰক্ষীক ব্যক্তিজনৰ পৰিয়ালৰ লোকে অৱগত কৰিছে। সেয়ে কোনো লোকে যদি ভূমি হীৰাৰ কিবা সম্ভেদ পায় তেন্তে ৯৩৯৫৩-৯৩১৮৭ নাইবা ৬০০৩৬-৬৮৮৬৭ নম্বৰত যোগাযোগ কৰিবলৈ ব্যক্তিজনৰ পৰিয়ালৰ লোকে কাতৰে অনুৰোধ জনাইছে।

# গুণোৎসৱত বহিঃনিৰীক্ষকে সতৰ্কবাণী দি শ্ৰেণীকোঠাৰ পৰা বাহিৰ কৰিলে শিক্ষয়িত্ৰীক

**ই-সংবাদ, পশ্চিম যোৰহাট, ২১ জানুৱাৰীঃ** ৰাজ্যৰ ১৩ খন জিলাৰ লগতে যোৰহাটতো গুণোৎসৱ-২০২৫ তিনিদিনীয়াকৈ অনুষ্ঠিত হৈ আছে। এই বছৰ গুণোৎসৱত শিক্ষাৰ্থীৰ মূল্যায়নত ৯০ শতাংশ নম্বৰ থকাত বিদ্যালয়খনে উচ্চ গ্ৰেড পোৱাৰ আশাৰে শিক্ষাৰ্থীসকলক এগৰাকী সহায়কাৰী শিক্ষয়িত্ৰীয়ে শিকাই দিয়াৰ সম্পৰ্কে পোহৰলৈ আহিছে। শিক্ষাৰ্থীসকলক শিকাই থাকোঁতেই বহিঃনিৰীক্ষকৰ বাৰে বাৰে দৃষ্টিগোচৰ হোৱাত সহায়কাৰী শিক্ষয়িত্ৰীগৰাকীক সতৰ্কবাণী শুনোৱাৰ পাছতো অমান্য কৰাত বহিঃনিৰীক্ষকগৰাকীয়ে সহায়কাৰী শিক্ষয়িত্ৰীগৰাকীক শ্ৰেণীকোঠাৰ পৰা বাহিৰলৈ উলিয়াই দিয়াৰ কাৰ্য সংঘটিত হয় উত্তৰ-পশ্চিম যোৰহাট শিক্ষা খণ্ডৰ অন্তৰ্গত সৰুচৰাই মণ্ডলৰ এখন নিম্ন প্ৰাথমিক বিদ্যালয়ত। জানিব পৰা মতে, বিগত গুণোৎসৱত 'এ প্লাছ'প্ৰাপ্ত ১৫ গৰাকী শিক্ষাৰ্থী থকা নিম্ন প্ৰাথমিক বিদ্যালয়খনত শিক্ষাৰ্থীসকলে অ' এম আৰ শ্বীট পূৰ কৰি থাকোঁতে ভুল কৰাত সহায়কাৰী শিক্ষয়িত্ৰীগৰাকীয়ে হাতত লৈ থকা ৰবৰৰে মোহাৰি শুদ্ধ উত্তৰত পূৰ কৰিবলৈ নিৰ্দেশ দি থাকোঁতেই বহিঃনিৰীক্ষকগৰাকীৰ বাৰে বাৰে দৃষ্টিগোচৰ হয়। এই কাৰ্য নকৰিবলৈ বহিঃনিৰীক্ষকগৰাকীয়ে শিক্ষয়িত্ৰীগৰাকীক সতৰ্কবাণী শুনোৱাৰ পাছতো অমান্য কৰাত শ্ৰেণীকোঠাৰ পৰাই বাহিৰ কৰি দিয়ে। এই খবৰে অভিভাৱকসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জিলাখনৰ বহু বিদ্যালয়ত এনে কাৰ্য কৰিও বহু অভিভাৱকে মন্তব্য কৰিছে। বহিঃনিৰীক্ষকে শ্ৰেণীকোঠাৰ পৰা বাহিৰ কৰি দিয়া শিক্ষয়িত্ৰীগৰাকীৰ সন্দৰ্ভত গুণোৎসৱৰ পৰিচালনাৰ দায়িত্বত থকা বিষয়াসকলে, শিক্ষা বিভাগৰ লোকে আৰু জিলা প্ৰশাসনৰ বিষয়াই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে লক্ষণীয় হ'ব।

# মঙলদৈত ঢোল-দগৰে আদৰিলে নৱনিযুক্ত সভাপতি দিলীপ শইকীয়াক

**ই-সংবাদ, মঙলদৈ, ২১ জানুৱাৰীঃ** দৰং-ওদলগুৰি জিলাৰ সাংসদ দিলীপ শইকীয়া ৰাজ্যিক বিজেপিৰ সভাপতি নিৰ্বাচিত হোৱাৰ পাছত আজি সন্ধিয়া ৫ বজাত মঙলদৈ ভেবাৰঘাটত থকা বিজেপিৰ কাৰ্যালয়ত প্ৰথম বাৰৰ বাবে উপস্থিত হোৱাত বিপুল আদৰণি জনোৱা হয়। সভাপতিগৰাকীক দলীয় কাৰ্যকাৰিতাসকলে ঢোলে-ডগৰে নাচি বাগি পথৰ পৰাই আদৰি কাৰ্যালয়লৈ আগবঢ়াই নিয়ে। পাছত কাৰ্যালয়ত জিলা সভাপতি মকুন্দ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্য-কৰ্তাৰ সভাত মিলিত হয়। সভাপতিগৰাকীৰ লগত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাও উপস্থিত থাকে। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কাৰ্যকৰ্তা সভাত ভাষণ দি কয় যে বিজেপিৰ সভাপতিগৰাকী আপোনালোকৰ সমষ্টিৰ। গতিকে সভাপতিগৰাকীৰ সন্মান ৰখাৰ উদ্দেশ্যে দুগুণ উৎসাহেৰে কাম কৰিবলৈ কৰ্মকৰ্তাসকলক আহ্বান জনায়। অহা এপ্ৰিল মাহত পঞ্চায়তৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। গতিকে কৰ্মীসকলক এতিয়াৰ পৰাই গাঁৱে গাঁৱে গৈ মানুহৰ লগত সুসম্পৰ্ক গঢ়ি তুলিবৰ বাবে কয়। যাতে পঞ্চায়তৰ সকলো আসন বিজেপিৰ দখলত ৰাখিব পৰা যায়। তেতিয়াহে আমাৰ সভাপতিৰ সন্মান ৰক্ষা পৰিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য আগবঢ়ায়। আপোনালোকে যিমানেই শৰাই, গামোচা উপহাৰ নিদিয়ক কিয়, যদি প্ৰত্যেকটো নিৰ্বাচনত আমাৰ দলটোক বেছি ভোটেৰে আগবঢ়াই নিব নোৱাৰে তেতিয়া কিন্তু এই উপহাৰৰ মূল্য নাথাকিব বুলিও কয় মন্ত্ৰীগৰাকীয়ে। সভাত ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সম্বৰ্ধনা গ্ৰহণ কৰি দলীয় কৰ্মীসকলক উদ্দেশ্যি কয় যে আমাৰ দলটোক অধিক শক্তিশালী ৰূপত গঢ় দিব লাগিব। ভাৰতীয় জনতা পাৰ্টীৰ ৬৫ লাখ কৰ্মকৰ্তাৰ তপস্যাৰ ফলত দ্বিতীয়বাৰলৈ ৰাইজৰ সেৱা লাভ কৰিবলৈ সক্ষম হৈছো। আগন্তুক দিনত আমাৰ দলটো ৰাইজৰ মাজত থাকি ৰাইজৰ হকে কাম কৰি দলক অধিক শক্তিশালী কৰি ২৬ৰ নিৰ্বাচনত জয়লাভ কৰাৰ সংকল্প লৈছো। আৰু ৰাইজৰ উন্নয়নৰ বাবে পণ লৈছো। মই আশাবাদী ২৬ত বিজেপিৰেই চৰকাৰ তৃতীয়বাৰৰ বাবে ৰাইজে উপহাৰ দিব এই কথা নিশ্চিত। এই সভাতেই দলীয় কৰ্মীসকলে শইকীয়াক উষ্ম সম্বৰ্ধনা জনায়। সভাত বিজেপিৰ সাংগঠনিক সম্পাদক বি ৰবীন্দ্ৰ ৰাজু, প্ৰাক্তন মন্ত্ৰী ৰেখাৰাণী দাস বড়ো, বিধায়ক পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক গুৰুজ্যেতি দাস আদি উপস্থিত থাকে।

# চেলেংহাটত মদন মোহন পাগবন্ধাৰ গ্ৰন্থ উন্মোচন

**ই-সংবাদ, মৰিয়নি, ২১ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ডিগবৈত অনুষ্ঠিত হোৱা তিনিচুকীয়া জিলা সাহিত্য সভাৰ দ্বাবিংশতিতম অধিৱেশনত তিনিচুকীয়া জিলা সাহিত্য সভাই প্ৰকাশ কৰা চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধাৰ 'ন'বেলত জিলিকা ভাৰতীয়' শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, ৰাজ্যিক কৃতী শিক্ষক, শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় অধ্যক্ষ, আম্বেদকাৰ বঁটা প্ৰাপক সোমেশ্বৰ মৰাণে। নৱ নিৰ্বাচিত সভাপতি লম্বেশ্বৰ চেতিয়াই সভাপতিত্ব কৰা সদ্য প্ৰাক্তন সভাপতি মোহন মৰাণে আঁত ধৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত অৰুণা গগৈ বৰুৱাৰ প্ৰবন্ধগুচ্ছ, ডাঃ গিৰীশ সন্দিকৈৰ অপল্লৱ, যোগদা বড়াৰ কবিতা পুথি 'যি সুধা হ'ব পাৰে সৃষ্টিৰ অমল উৎস', তিনিচুকীয়া জিলা সাহিত্য সভাৰ পত্ৰিকা, তিনিচুকীয়া জিলা সাহিত্য সভাৰ দ্বাবিংশতিতম অধিৱেশনৰ আদৰণি সমিতিয়ে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থকে ধৰি বহুকেইখন গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত অনুষ্ঠানতেই জিলা সাহিত্য সভাই প্ৰকাশ কৰা আৰু আন্দিনী প্ৰকাশনে প্ৰচলন আৰু বিপণনৰ দায়িত্ব লোৱা বিমলা বৰুৱাৰ নিৰ্বাচিত গল্পগুচ্ছ আৰু জোনালী ডেকা শইকীয়াৰ 'ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতিসকল' গ্ৰন্থ দুখন উন্মোচন কৰে সাংবাদিক জগত চাংমাই আৰু প্ৰাক্তন জিলা সভাপতি প্ৰবীণ বৰাই।

# তামুলপুৰ উলুবাৰীত চতুৰ্থ বাৰ্ষিক পালনাম মহোৎসৱৰ আয়োজন

**ই-সংবাদ, তামুলপুৰ, ২১ জানুৱাৰীঃ** তামুলপুৰ জিলা সদৰৰ ২ নং বানগুৰি (উলুবাৰী)ত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মাঘ মাহৰ ৮ আৰু ৯ তাৰিখে চতুৰ্থ বাৰ্ষিক ১২ ঘণ্টীয়া পালনাম মহোৎসৱৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৮ মাঘ, বুধবাৰে পুৱা ৫ বজাত জাগৰণ, ৬ বজাত পৰিৱেশ নিকাকৰণ, ৬.৩০ বজাত আইসকলৰ প্ৰসংগ, ৭.০০ বজাত বাপসকলৰ নিত্য প্ৰসংগ, ৮.৩০ বজাত পালনাম মহোৎসৱৰ মুখ্যদ্বাৰ উন্মোচন, ৯ বজাত ধৰ্মধ্বজা উত্তোলন, ৯.১৫ বজাত স্মৃতি তৰ্পণ, ৯.৩০ বজাত বৃক্ষৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বৃক্ষৰোপণ কৰিব উলুবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বনমালী কাকতি, দলংপাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল কলিতা, উলুবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উমেশ তালুকদাৰ, সহঃ শিক্ষক জ্যোতিষ দাস, ১নং বানগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰেণু বৰ্মন, অভিযন্তা চাইক্লং নাৰ্জাৰী, প্ৰাক্তন সাংবাদিক আনন্দ ৰামছিয়াৰী, প্ৰতিষ্ঠিত ব্যৱসায়ী নৰেন মেধি, গয়বাৰী ব্লক ইউপিপিএলৰ সম্পাদক কবিন চন্দ্ৰ বসুমতাৰী, টিচিএলচিচিৰ অধ্যক্ষ ফণীন্দ্ৰ নাৰ্জাৰী, জেষ্ঠ্য নাগৰিক বীৰেন ডেকা, ১নং তামুলপুৰ ভিচিডিচিৰ অধ্যক্ষ ৰজিৎ বড়ো, উলুবাৰী গোপাল থানৰ কোষাধ্যক্ষ জ্যোতিষ ৰাভা, ৫ নং তামুলপুৰ ভিচিডিচিৰ উপাধ্যক্ষ উদয় ৰাভা, বুবুল তালুকদাৰ আদিয়ে। ১১.০০ বজাত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব উলুবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক মহেশ বৈশ্য। ১২.৩০ বজাত মহাপ্ৰসাদ গ্ৰহণ। আবেলি ২.০০ বজাত আমন্ত্ৰিত অতিথিসকলকৰ নাম পৰিৱেশন। উদ্বোধক ইমানুৱেল মুছাহাৰী, প্ৰাক্তন বিধায়ক, তামুলপুৰ। ৩.০০ বজাত আবেলি প্ৰসংগ। পাঠক উমেশ মহন্ত, শৰণাচাৰ্য, ৰঙিয়া। সন্ধিয়া ৫.০০ বজাত বন্তি প্ৰজ্বলন।,৫.৩০ বজাত সন্ধিয়াৰ প্ৰসংগ। পাঠক অজিৎ কলিতা, ভাংবাৰী শাখা সত্ৰ। ৬.০০ বজাত বীৰনাম সমাৰোহ সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান। উদ্বোধক ৰাজেশ বড়ো, সম্পাদক, তামুলপুৰ জিলা বিজেপি। আমন্ত্ৰিত বীৰনাম দল বালিসিঠা শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ আই মাতৃসকল আৰু ভেৰগাঁও শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ আই মাতৃসকল। ৮ বজাত ছোৱালী নাগাৰা নাম পৰিৱেশন। উদ্বোধক ভিক্টৰ কুমাৰ দাস, সভাপতি, তামুলপুৰ জিলা বিজেপি। পাঠিকা প্ৰিয়ংকা শইকীয়া, মিলিজুলি নাগাৰা নাম দল, ছিপাঝাৰ।একেদৰে ৯ মাঘ বৃহস্পতিবাৰে পুৱা ৪ বজাত জাগৰণ। জাগৰক গণেশ ডেকা, নামঘৰীয়া, শ্ৰীশ্ৰী শংকৰদেৱ শাখা সত্ৰ ২ নং বানগুৰি। ৫.০০ বজাত পৰিৱেশ নিকাকৰণ। ৫.৩০ বজাত আইসকলৰ প্ৰসংগ। ৬.০০ বজাত শৰাই অৰ্চনা। ৮.১৫ বজাত ১২ ঘণ্টীয়া পালনামৰ মুখ্যদ্বাৰ উন্মোচন। উন্মোচক জলেন দৈমাৰী, ৮.৩০ বজাত পালনাম শুভাৰম্ভ

# ২৪জানুৱাৰীৰ পৰা সাৰথিৰ উদ্যোগত ৫ দিনীয়াকৈ 'মৰিগাঁও গ্ৰন্থমেলা'

**ই-সংবাদ, মৰিগাঁও, ২১ জানুৱাৰীঃ** মৰিগাঁৱৰ অগ্ৰণী বৌদ্ধিক সংগঠন সাৰথিৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত ২৪ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যক্ৰমণিকাৰে মৰিগাঁৱত অনুষ্ঠিত হ'ব গ্ৰন্থমেলা-২০২৫। এই গ্ৰন্থমেলাখন সফল আৰু সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাক সভাপতি, ডাঃ নীলোৎপল কাকতিক কাৰ্যকৰী সভাপতি আৰু খগেন মহন্তক সাধাৰণ সম্পাদক হিচাপে লৈ ইতিমধ্যে এখন গ্ৰন্থমেলা পৰিচালনা সমিতি গঠন কৰা হৈছে। মৰিগাঁও চহৰৰ পদুম পুখুৰীৰ মনোমোহা চৌহদত অনুষ্ঠিত কৰিব ওলোৱা এই গ্ৰন্থমেলাখনৰ প্ৰথম দিনা দিনৰ ১ বজাত আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব সাহিত্য অকাডেমী বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক, সাংবাদিক মনোজ কুমাৰ গোস্বামীয়ে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ পৌৰহিত্যত অনুষ্ঠিত হ'বলগা উদ্বোধনী অনুষ্ঠানটোত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, লাহৰীঘাটৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ, তিৱা স্বায়ত্ব পৰিষদ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, মৰিগাঁও জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ হৰমোহন কলিতা, মৰিগাঁও পৌৰসভাৰ পৌৰপতি যোগেশ তামুলী, জিলা কবি সন্মিলনৰ সভাপতি অনিৰুদ্ধ ডেকা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট শিল্পী অশোক ডেকাই। দ্বিতীয় দিনা দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগা 'শিক্ষাৰ্থীৰ দিন' শীৰ্ষক অনুষ্ঠানটো উদ্বোধন কৰিব জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। অনুষ্ঠানটোত শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত অনুসূয়া শৰ্মা, জিলাখনৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, ৰংমেলা শিশুবাণীৰ মুখ্য সম্পাদক অৰুণ ভাগৱতী বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰিব। ইয়াৰ পিছতেই গ্ৰন্থমেলাস্থলীত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্যাপন কৰা হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অতিৰিক্ত জিলা আয়ুক্ত ড০ সংগীতা বৰঠাকুৰে। তৃতীয় দিনা দিনৰ ১১ বজাত মৰিগাঁও জিলা লেখিকা সমাৰোহ সমিতি, জিলা লেখিকা সংস্থা আৰু জিলা কবি সন্মিলনৰ পৰিচালনাত গ্ৰন্থমেলাৰ বাকৰিত 'কবিতাৰ গুঞ্জন' শীৰ্ষক এটি কাব্যানুষ্ঠান অনুষ্ঠিত হ'ব। ড০ উৎপল নাথৰ সঞ্চালনাত অনুষ্ঠিতব্য এই অনুষ্ঠানটো উদ্বোধন কৰিব মৰিগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব ড০ হেমন্ত কুমাৰ নাথে। চতুৰ্থ দিনা বিয়লি ২ বজাত 'লেখক-পাঠকৰ আড্ডা' শীৰ্ষক এটি অনুষ্ঠান। এই অনুষ্ঠানত 'নিৰিবিলি', 'সৰাফুল', 'ৰাধা' খ্যাত উপন্যাসিক কৌশিক নন্দন বৰুৱা, বিশিষ্ট কবি সাহিত্যিক ক্ৰমে চন্দন গোস্বামী, ড০ অংশুমান দাস, মনোজ দেওৰজা, ৰাজীৱ চহৰীয়া, মাধৱ ডেকা আৰু বিশিষ্ট গল্পকাৰ প্ৰজ্ঞানজ্যোতিয়ে অংশগ্ৰহণ কৰিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব পৰাগজ্যোতি মহন্তই। অন্তিম দিনা বিয়লি ৪ বজাত গ্ৰন্থমেলাৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। জিলা আয়ুক্ত দেৱাশীষ শৰ্মা সভাপতিত্বত অনুষ্ঠিত হ'বলগা এই অনুষ্ঠানত এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট সাহিত্যিক গুৰমাইল সিঙে। অনুষ্ঠানটোত মৰিগাঁও গ্ৰন্থমেলাৰ প্ৰতিষ্ঠাপক সভাপতি, প্ৰাক্তন বিধায়ক মুনীন মহন্ত, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ ফণীভূষণ নাথ, তিৱা মাথনলাই তত্বাৱ সম্পাদক ড০ বিদ্যুৎ বিকাশ সেনাপতি, আৰু সহযোগী অধ্যাপক ড০ অচ্যুত কুমাৰ দাস বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব মৰিগাঁৱৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথে।

# ৰঙিয়াৰ বামপন্থী নেতা বীৰেন্দ্ৰ নাথ শৰ্মাৰ ৰেল দুৰ্ঘটনাত বিয়োগ

**ই-সংবাদ, ৰঙিয়া, ২১ জানুৱাৰীঃ** ৰঙিয়াৰ প্ৰবীণ বাওপন্থী নেতা তথা ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন গ্ৰন্থাগাৰিক, চাৰ্চ পাব্লিক স্কুল পৰিচালনা সমিতিৰ সভাপতি বীৰেন্দ্ৰ নাথ শৰ্মা(৭৪)ৰ যোৱা নিশা ৰেল দুৰ্ঘটনাত আকস্মিক বিয়োগ ঘটাত সমগ্ৰ ৰঙিয়াতে গভীৰ শোকৰ ছাঁ পৰে। ঘটনাৰ প্ৰাপ্ত তথ্য অনুসৰি কালি সন্ধিয়া প্ৰয়াত শৰ্মাই ৰঙিয়া নগৰৰ ভট্টপাৰাৰ বাসগৃহৰ পৰা ওলাই অহাৰ পিছত বহু পৰলৈ ওভতি নোযোৱাত পৰিয়ালৰ লোকে বিভিন্ন স্থানৰ লগতে পুৰণি বাসস্থান বনগাৱৰ গৃহতো খবৰ লয় যদিও কোনো ধৰণৰ সন্ধেদ লাভ কৰিবলৈ সক্ষম নোহোৱাত চাঞ্চল্যৰ সৃষ্টি হয়। ইতিমধ্যে নিশাৰ ভাগত বনগাৱৰ নিকটৱৰ্তী বৰলীয়া নৈৰ সমীপৰ ৰেলআলিত এটি মৃতদেহ উদ্ধাৰ হোৱাৰ তথ্য লাভ কৰাৰ পিছতে পৰিয়ালৰ মাজত হুৰা-দুৰা লাগে। ইতিমধ্যে ঘটনাস্থলীৰ পৰা জি আৰ পিয়ে মৃতদেহ উদ্ধাৰ কৰি থানা লৈ নিয়াত পৰিয়ালৰ লোকে নিশাৰ ভাগত উপস্থিত হৈ মৃতদেহ প্ৰত্যক্ষ কৰি চিনাক্ত কৰে। ইফালে ৰঙিয়াৰ সামাজিক ক্ষেত্ৰখনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত শৰ্মাৰ আকস্মিক মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দৰ লগতে অগণন গুণমুগ্ধই বাসগৃহত ভিৰ কৰে। আজি দিনৰ ভাগত প্ৰবীন বামপন্থী নেতা বীৰেন্দ্ৰ নাথ শৰ্মাৰ মৃতদেহ মৰোণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পিছত পোনতে ৰঙিয়াৰ চিপিআই এম দলৰ কাৰ্যালয়লৈ নিয়া হয়। দলটোৰ ৰঙিয়া আঞ্চলিক সমিতি, কামৰূপ জিলা সমিতিৰ নেতৃবৃন্দই সতীৰ্থ নেতাগৰাকীৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা নিবেদন কৰাৰ পিছত ৰঙিয়াৰ অগ্ৰণী ব্যাক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান চাৰ্চ পাব্লিক স্কুললৈ নিয়া হয়। বিদ্যালয় কৰ্তৃপক্ষৰ লগতে শিক্ষানুৰাগী ৰাইজে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ অন্তত জন্মভূমি বনগাৱত শোকাকুল পৰিৱেশত সন্ধিয়াৰ ভাগত শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখ্য যে গ্ৰন্থাগাৰ বিজ্ঞানত স্নাতোকোত্তৰ বীৰেন্দ্ৰ নাথ শৰ্মাই মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ত গ্ৰন্থাগাৰিক হিচাবে কৰ্মজীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত ৰঙিয়া মহাবিদ্যালয়ত যোগদান কৰি কিছু বছৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছতে চিপিআই এম দলৰ কাম কাজত ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰা প্ৰয়াত শৰ্মাই ২০১৫ চনত ৰঙিয়া আঞ্চলিক সমিতিৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি বিগত বৰ্ষৰ নৱেম্বৰ মাহলৈ উক্ত পদত কাৰ্যনিৰ্বাহ কৰে। আনহাতে দলটোৰ কামৰূপ জিলা সমিতিৰো সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰা প্ৰয়াত শৰ্মাই কামৰূপ জিলা কৃষক পৰিষদ, নতুন সাহিত্য পৰিষদৰ সৈতে জড়িত আছিল।

# আগমনিত ছাত্ৰক অপহৰণৰ অপচেষ্টা

**ই-সংবাদ, গোলকগঞ্জ, ২১ জানুৱাৰীঃ ধুবুৰী** জিলাৰ আগমনি থানাৰ অন্তৰ্গত অসম-পশ্চিমবংগ আৰু বাংলাদেশ ত্ৰিসীমান্তৰ ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱত চাৰি জানুৱাৰীতে আৰক্ষী বিষয়াক আক্ৰমণ কৰা দুষ্কৃতিকাৰীয়ে আজি পুনৰ স্থানীয় এগৰাকী ছাত্ৰক অপহৰণৰ অপচেষ্টা চলোৱা ঘটনাই অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁওখনেৰে নিতৌ মুকলিভাৱে বাংলাদেশলৈ গৰুৰ অবৈধ চোৰাং চালান চলি আছে। ওচৰতে গোড় ঝাপুচাবাৰী আৰক্ষী নিৰীক্ষণ চকী আছে যদিও কেৰেপ নকৰে চোৰাং বেপাৰীয়ে। অসম আৰক্ষী আগবাঢ়ি গ'লে গৰু লৈ সোমাই যায় পশ্চিমবংগত। গৰু অনা-নিয়া কৰাৰ বাবে খেতি-বাতি নষ্ট হয় স্থানীয় কৃষকৰ। বাধা দিলে হত্যাৰ ভাবুকিও দিয়ে। উপায়ন্তৰ হৈ গাঁওখনৰ আব্বাছ আলীয়ে এই সন্দৰ্ভত আঠ নৱেম্বৰত ধুবুৰী আদালতত গোচৰ তৰে। তিনি জানুৱাৰীত আগমনি আৰক্ষী উক্ত গোচৰৰ তদন্ত কৰিবলৈ যোৱা বাবে গাঁওখনৰ কৰিফুল আলী, মন্টু আলী, সন্টু আলী, আবুল আলী আউৱাল আলী আৰু নুৰ জামাল হকে আব্বাছ আলী আৰু তেওঁৰ পত্নী হাসিনা বিবিক ঘৰৰ পৰা উঠাই নি মাৰপিট কৰে। পুনৰ এই সন্দৰ্ভত আগমনি থানাত এজাহাৰ দিয়াত সিদিনাই কৰিফুল আলী মন্টু আলী, সান্টু আলী, নুৰজামাল হকে আব্বাছৰ ভাতৃ জহিৰুল হক আৰু তেওঁৰ পত্নী মৰ্জিনা বিবিক বেয়াকৈ মাৰপিট কৰে। খবৰ পাই গোড় ঝাপুচাবাৰী আৰক্ষী নিৰীক্ষণ চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰেশ্বৰ শৰ্মা দুষ্কৃতিকাৰী কেইজনক আটক কৰিবলৈ খেদি যায়। কিন্তু অসৎ প্ৰকৃতিৰ লোক কেইজনে ঘৰৰ মহিলাৰ হতুৱাই আৰক্ষী বিষয়াগৰাকীক আটক কৰি মাৰপিট কৰি ডিঙিৰ সোণৰ চেইন কাঢ়ি নিয়ে। দুৰ্ভাগ্যজনকভাৱে আৰক্ষীক আক্ৰমণ কৰাৰ পিছতে টিঘিলঘিলাই ঘূৰি ফুৰিছে দুষ্কৃতিকাৰী। এই সন্দৰ্ভতো আগমনি থানাত গোচৰ ৰুজু হৈছে যদিও আৰক্ষীয়ে এজনকো আটক কৰিবলৈ সক্ষম হোৱা নাই। ওলোটাই তেওঁৰ বিৰুদ্ধাচৰণ কৰা লোকসকলক ভয়-ভাবুকি দিয়া অব্যাহত ৰাখিছে। জহিৰুল হকৰ পুত্ৰ ইছমাইল হক ৰামৰাইকুঠী প্ৰথম খণ্ড মজলীয়া ইংৰাজী বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ। আজি বিদ্যালয়লৈ যোৱাৰ সময়ত সান্টু আলীৰ সৈতে অচিনাক্ত এজনে বাইকেৰে গৈ বাট আগচি বাইকত উঠাই অপহৰণৰ চেষ্টা চলায়। স্থানীয় ৰাইজে চিঞৰ-বাখৰ কৰাত এৰি দিয়ে। এই সন্দৰ্ভত পুনৰ আগমনি থানাত এজাহাৰ দাখিল কৰা হয়।

# শংকৰদেৱ শিশু বিদ্যা নিকেতন, চাপৰৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান আৰম্ভ

**ই-সংবাদ, চাপৰ, ২১ জানুৱাৰীঃ** ধুবুৰী জিলাৰ চাপৰৰ আগশাৰীৰ বিদ্যা প্ৰতিষ্ঠান শংকৰদেৱ শিশু বিদ্যা নিকেতন চাপৰৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে আজিৰ পৰা ৰূপালী জয়ন্তী সামৰণি অনুষ্ঠান আৰম্ভ হয়। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজিৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানটোত ভাৰত মাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ সভাপতি জলেশ্বৰ ৰায়ে। বিদ্যালয়খনৰ পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ প্ৰধানাচাৰ্য বিকাশ চন্দ্ৰ তালুকদাৰে। ৰূপালী জয়ন্তীৰ পতাকা উত্তোলন কৰে অৰুণ কুমাৰ সিংহই আৰু স্মৃতি তৰ্পণ কৰে ধৰ্মেশ্বৰ বৰুৱাই। ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে বিদ্যালয় চৌহদত ২৫ খন পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীকে ধৰি চাপৰ অঞ্চলৰ বিভিন্ন গণ্যমান্য ব্যক্তিয়ে। পিছত ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। সাংস্কৃতিক শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰত্নপীঠ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তৰণীকান্ত ৰায়ে। সাংস্কৃতিক শোভাযাত্ৰাত জগত গুৰু শংকৰদেৱ, শ্ৰী ৰাম, শ্ৰী কৃষ্ণ, ভাৰত মাতা, মাদাৰ টেৰেছা, শকুন্তলা, বিহু আদিকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্কৃতি প্ৰদৰ্শন কৰাৰ লগতে অসমৰ কলা-কৃষ্টিৰ প্ৰদৰ্শন কৰে। সাংস্কৃতিক শোভাযাত্ৰাত বিদ্যাৰ ওপৰত অধিক গুৰুত্ব দি ছাত্ৰ-ছাত্ৰীসকল হাতে হাতে প্লে-কাৰ্ড লোৱা পৰিলক্ষিত হয়। আজিৰ উদ্বোধনী অনুষ্ঠানত ৰত্নপীঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তৰণীকান্ত ৰায়, ড০ প্ৰভাস দাস, অৱসৰপ্ৰাপ্ত প্ৰবক্তা কন্দৰ্প বৰপূজাৰী, অৱসৰপ্ৰাপ্ত শিক্ষক ভবানন্দ মেধি, অৱসৰপ্ৰাপ্ত বেংকৰ প্ৰবন্ধক ধৰ্মেশ্বৰ বৰুৱা, সমাজ সেৱক হৰকুমাৰ ৰায়, গংগাধৰ ৰায় আদিকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইপিনে, দুই বজাত প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে চাপৰ ৰাজহ চক্ৰ বিষয়া শশী ভূষণ ৰাজকোঁৱৰে। আনহাতে, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী প্ৰীতি সন্মিলনত ভাষণ প্ৰদান কৰে কমতাপুৰ অটোনমাছ কাউন্সিলৰ ই এম সুকেন ৰায়দেৱে।

# বাক্সাৰ বৰবৰী শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীত মানস প্ৰতীম কলিতা

**ই-সংবাদ, মুছলপুৰ, ২১ জানুৱাৰীঃ** বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী বৰবৰীস্থিত শংকৰদেৱ শিশু নিকেতনে পঁচিশ বছৰ অতিক্ৰম কৰা উপলক্ষে আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিছে ৰূপালী জয়ন্তী। কাৰ্যসূচী অনুসৰি আজি পুৱা বন্তি প্ৰজ্বলন, বন্দনা কালাংশ, পতাকা উত্তোলন, স্মৃতি তৰ্পণ ইত্যাদি কাৰ্যসূচীৰ অন্তত মুখ্যদ্বাৰ উদঘাটন কৰে বাক্সা জিলা ভাৰতীয় জনতা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক মানস প্ৰতিম কলিতাই। মুখ্যদ্বাৰ উদঘাটন কৰি তেওঁ কয় যে সমগ্ৰ অসমৰ শিক্ষা খণ্ডত শংকৰদেৱ শিশু নিকেতনসমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। বিদ্যা ভাৰতীৰ অন্তৰ্গত তথা শিশু শিক্ষা সমিতিৰ বিষয় আধাৰিত এই নিকেতনসমূহে ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা দিয়াত সুফল লাভ কৰা পৰিলক্ষিত হয়। ইয়াৰ ব্যতিক্ৰম নহয় শংকৰদেৱ শিশু নিকেতন, বৰবৰী। লগতে তেওঁ জয় বিদ্যা, জয় সংস্কৃতি, জয় ভাৰতমাতা বুলি আৰম্ভ কৰি সৰুৰেপৰা ছাত্ৰ-ছাত্ৰীক এই নিকেতনসমূহে বৌদ্ধিক তথা আধ্যাত্মিক আৰু সংস্কাৰগত বিদ্যা শিক্ষা দিয়া প্ৰক্ৰিয়াৰ শলাগ লয়। যুৱ মৰ্চাৰ সম্পাদকগৰাকীয়ে বৰবৰী শংকৰদেৱ শিশু নিকেতনৰ আভ্যন্তৰীণ দিশটো কিছু অনুন্নত হৈ আছে বুলি উল্লেখ কৰি আগন্তুক দিনত চৰকাৰলৈ আবেদন-নিবেদনৰ জৰিয়তে উন্নতকৰণত সহায়ৰ হাত আগবঢ়োৱাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰে। উল্লেখ্য যে ৰূপালী জয়ন্তীৰ দ্বিতীয়দিনা অৰ্থাৎ বুধবাৰে পুৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতে মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। উক্ত সভাত বাক্সা জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক ভূপেন বড়ো, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া উপস্থিত থাকিব।

# নামতিত মেডাম-মে-ফি উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, গেলেকী, ২১ জানুৱাৰীঃ** সদৌ টাই যুৱ-ছাত্ৰ পৰিষদৰ নামতি আঞ্চলিক সমিতি, নামতি দ'ল টাই শিক্ষা সাংস্কৃতিক বিকাশ কেন্দ্ৰ আৰু নাজিৰা-আমগুৰিবাসী ৰাইজৰ সহযোগত অহা ইংৰাজী ৩১ জানুৱাৰীত এদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে মেডাম-মে-ফি উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। চাওলুং চুকাফা সমন্বয় ক্ষেত্ৰ নামতি দ'লৰ প্ৰাংগণত অনুষ্ঠিত হ'ব এই অনুষ্ঠান। ৩১ জানুৱাৰীত পুৱা ৮ বাজি ৩০ মিনিটত পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। পাতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি মানচাও অজিত চেতীয়াই। ৯ বজাত মৈদাম তৰ্পণ কৰিব সদৌ টাই যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ যুটীয়া সম্পাদক প্ৰাঞ্জল শইকীয়াই। দুপৰীয়া ১২ বজাৰ পৰা মুকলি সভা আৰম্ভ হ'ব। মুকলি সভাত সভাপতিত্ব কৰিব আহোম সভাৰ শিৱসাগৰ জিলাৰ উপ-সভাপতি মান চাও তৰুণ গগৈয়ে। মুকলি সভাত আমন্ত্ৰিত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সদৌ টাই যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক চাও প্ৰশান্ত ফুকন আৰু নৰ্থ ইষ্ট চেণ্ট্ৰেল ইংলিছ স্কুল হালোৱাটিঙৰ সঞ্চালক সুৰেণ বড়া, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব জ্যেষ্ঠ অধিবক্তা চন্দ্ৰ বৰুৱা, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব জ্যেষ্ঠ বিজ্ঞানী সমাজসেৱক যোৰহাটৰ মানচাও দিলীপ দত্ত, নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মানচাও মোহন গগৈ।

# নগৰবেৰাৰ পলাহৰটাৰী, যোগীপাৰাত বন সুৰক্ষা বাহিনীৰ অভিযান


**ই-সংবাদ, নগৰবেৰা, ২১ জানুৱাৰীঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত পলাহৰটাৰী আৰু যোগীপাৰাত পৃথকে পৃথকে আজি বন বিভাগৰ এটা দলে অভিযান চলাই অবৈধভাৱে কঢ়িওৱা বালি ভৰ্তি এছ-২৫ এফ চি-৫১৩১ নম্বৰৰ এখন ডাম্পাৰ জব্দ কৰাৰ লগতে এখন অবৈধভাৱে মাটি কটা জেচিপি এম এল-১৩ ২৪৯৮ আৰু নম্বৰবিহীন ট্ৰেক্টৰ জব্দ এখন কৰে। জানিব পৰা মতে, পশ্চিম কামৰূপ বন সংমণ্ডলৰ বন সুৰক্ষা বাহিনীৰ ছবিন চন্দ্ৰ দাসৰ নেতৃত্বত চলোৱা এক অভিযানত যোগীপাৰাৰ পৰা এখন অবৈধ বালি ভৰ্তি ডাম্পাৰ জব্দ কৰে। তদুপৰি বন সুৰক্ষা বাহিনীয়ে অভিযান কালত পলাহৰটাৰীৰ গুলিৰভিটাৰ পৰা অবৈধভাৱে মাটি কটা এখন জেছিবি আৰু এখন ট্ৰেক্টৰ জব্দ কৰে। ইতিমধ্যে জব্দকৃত বাহনসমূহ নগৰবেৰাৰ বন বিভাগৰ কাৰ্যালয়লৈ নিয়া বুলি জানিব পৰা গৈছে।

# বিশিষ্ট ক্ৰীড়া সংগঠক গৌতম প্ৰতাপ গোস্বামীৰ পৰলোক

**ই-সংবাদ ব্যূৰ', নলবাৰী, ২১ জানুৱাৰীঃ** নলবাৰী সত্ৰ নিবাসী বিশিষ্ট ক্ৰীড়া সংগঠক, সমাজহিতৈষী, ৰাজনীতিক, প্ৰাক্তন সাংসদ প্ৰয়াত প্ৰফুল্ল গোস্বামীৰ পুত্ৰ গৌতম প্ৰতাপ গোস্বামীৰ আজি চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত বিয়োগ ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৭৮ বছৰ। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ তেওঁ চিকিৎসাধীন হৈছিল। চিৰকুমাৰ গৌতম প্ৰতাপ গোস্বামী নলবাৰী ক্ৰীড়া সন্থাৰ আজীৱন সদস্য, নলবাৰী মহকুমা বিহু সন্মিলনী , নলবাৰী নাট্য মন্দিৰ আদিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। বিশেষকৈ বৃহত্তৰ নলবাৰীৰ ক্ৰীড়া ক্ষেত্ৰখনৰ প্ৰসাৰৰ বাবে তেওঁৰ অৱদান সদায়েই স্মৰণীয়। নলবাৰী জিলা কংগ্ৰেছৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰিছিল গৌতম গোস্বামীয়ে। এবাৰ তেওঁ বিধানসভা নিৰ্বাচনত এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী হিচাপে নলবাৰী সমষ্টিত প্ৰতিদ্বন্দ্বিতাও আগবঢ়াইছিল। মৃত্যুৰ সময়ত তেওঁ তিনি ভাতৃ আৰু দুগৰাকী ভগ্নীসহ অসংখ্য গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। তেওঁৰ বিয়োগত বিভিন্ন দল সংগঠন আৰু ব্যক্তয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

# বৰ কাপল্লা বিলত পৰিভ্ৰমী চৰাই চিকাৰ কৰি বৰপেটাৰোডত আটক দুই চোৰাং চিকাৰী

**ই-সংবাদ, বৰপেটাৰোড, ২১ জানুৱাৰীঃ** পৰিভ্ৰমী চৰাই চিকাৰ কৰি বৰপেটাৰোড আঞ্চলিক বন বিভাগৰ হাতত আটক হ'ল দুই যুৱক। শীতৰ আগমনৰ লগে লগে অসমৰ নৈ-বিলসমূহলৈ আগমন ঘটিছে বিভিন্ন পৰিভ্ৰমী চৰাইৰ। বৰপেটা জিলাৰ বৰ কাপল্লা বিলতো আগমন ঘটিছে বিভিন্ন পৰিভ্ৰমী চৰাইৰ আৰু ইয়াৰ সুযোগ লৈছে একাংশ চোৰাং চিকাৰীয়ে। চোৰাং চিকাৰীয়ে জালেৰে দৈনিক পৰিভ্ৰমী চৰাই ধৰি বজাৰত চোৰাংকৈ বিক্ৰী কৰি আহিছে। এই কথা জানিব পাৰি বৰপেটাৰোড আঞ্চলিক বন বিষয়া অভিনৰ বৰুৱাৰ নেতৃত্বত বৰপেটাৰোড আঞ্চলিক বন বিভাগে পুৱতি নিশা অভিযান চলাই দুটা পৰিভ্ৰমি চৰাইসহ আটক কৰিবলৈ সক্ষম হয় দুই যুৱকক। ধৃত যুৱক দুজন কালদি পথাৰৰ জেহেৰ আলীৰ পুত্ৰ মনিৰুল ইছলাম(১৬) আৰু ৰিচান আলীৰ পুত্ৰ মহম্মদ জাহাংগীৰ আলী(১৯)। জানিব পৰা অনুসৰি, বৰ কাপল্লা বিলত দীৰ্ঘদিন ধৰি অবৈধভাৱে পৰিভ্ৰমী চৰাই জালেৰে ধৰি বিভিন্ন ঠাইত ২০০/৩০০টকা কৈ বিক্ৰী কৰে। পৰিভ্ৰমী চৰাই দুটা চাইবেৰিয়াৰ গ্ৰীন উইঙ তিল(green winged teal duck) আৰু ফ্লেভাছ উঁইচলিং ডাক (Fulvous whistling duck) বুলি জানিব পৰা গৈছে। বৰপেটাৰোড আঞ্চলিক বন বিভাগৰ বহৰী খণ্ড বনবিভাগৰ সহযোগত বৰপেটাৰোড আঞ্চলিক বন বিভাগে যুৱক দুজনক চৰাইসহ আটক কৰে। ইতিমধ্যে দুয়োটা চোৰাং চিকাৰীক বৰপেটা জিলা ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।



**চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাৰ ওপজা দিনত দিনপঞ্জী উন্মোচন, ফটোঃ ই-সংবাদ, চাবুৱা-লাহোৱাল**

# গোলকগঞ্জত নকল সোণ সৰবৰাহৰ সন্দেহত আটক এক

**ই-সংবাদ, গোলকগঞ্জ, ২১ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত গৌৰাংগ বজাৰৰ সমীপৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা ৯ বজাত আৰক্ষীয়ে অভিযান চলাই নকল সোণ সৰবৰাহৰ সন্দেহত এটা সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আগন্তুক গণৰাজ্য দিৱসত নিষিদ্ধ সংগঠনে কূটাঘাতমূলক কাৰ্য সংঘটিত কৰাৰ আশংকাত গোলকগঞ্জ আৰক্ষী তৎপৰ হৈ উঠিছে। নিশা ৰাষ্ট্ৰীয় ঘাইপথত সকলো যান-বাহনত তালাচী তীব্ৰতৰ কৰি তুলিছে। যোৱা নিশা ৯ বজাত ধুবুৰীৰ পৰা ৰায়গঞ্জ অভিমুখী এখন বাহনত তালাচী চলোৱাত এজন লোকৰ পৰা নকল সোণ(!)ৰ দুটা টুকুৰা উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা নকল সোণৰ ওজন ৭৩০ গ্ৰাম। আটকাধীন লোকজন গৌৰীপুৰ থানাৰ ডাংগিৰচৰৰ নিজামউদ্দিন ফকিৰ। নিজামউদ্দিনে জানিবলৈ দিয়া মতে, আচলতে নকল সোণ বুলি জব্দ কৰা টুকুৰা দুটা আছিল পিতলৰ। পেছাত কবিৰাজ নিজামউদ্দিনে তাবিজ কবচ বিক্ৰী কৰাৰ উদ্দেশ্যে কলকাতালৈ গৈ আছিল।

# ডবকা মধ্য ইংৰাজী বিদ্যালয়ৰ গুণোৎসৱ উদযাপন

**ই-সংবাদ, মোৰাঝাৰ, ২১ জানুৱাৰীঃ** সমগ্ৰ ৰাজ্যৰ লগতে হোজাই জিলাৰ যোগীজান শিক্ষা খণ্ডৰ অন্তৰ্গত ডবকা মধ্য ইংৰাজী বিদ্যালয়ত মঙলবাৰে দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হয়। উল্লেখ্য যে শিক্ষাৰ অধিকাৰ আইন ২০০৯ দ্বাৰা ভাৰতবৰ্ষৰ ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰ বাবেই প্ৰাথমিক শিক্ষা লাভ কৰাটো বাধ্যতামূলক আৰু শিশুসকলে বিনামূলীয়া শিক্ষা লাভ কৰাটো সাংবিধানিক অধিকাৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। এই আইনৰ ২৯ নং ধাৰা অনুসৰি প্ৰতিটো শিশুৰেই মান সম্পন্ন, সাৰ্বিক আৰু শিশুৰ বাবে অনুকুল পৰিৱেশত শিক্ষা লাভ কৰাটো প্ৰতিটো শিশুৰেই অধিকাৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। এই আইনৰ নিৰ্দেশনাকেই সৰোগত কৰি প্ৰাথমিক স্তৰত গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। বিগত সময়ছোৱাত চৰকাৰৰ তৰফৰ পৰা শৈক্ষিক ফলাফল বৃদ্ধিৰ উদ্দেশ্যে ভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অধাৰত পাঠ্যক্ৰম যুগুত কৰা, শিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা, যোগ্যতা সম্পন্ন শিক্ষক নিযুক্তি আৰু কাৰ্যকলাপ ভিত্তিক শিক্ষাৰ বাস্তৱায়ন আদি উল্লেখযোগ্য। ডবকা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মনিকা বেগম, শিক্ষা সমল বিষয়া আতিকুৰ ৰহমান আৰু নিৰীক্ষক হিচাপে উপস্থিত থাকে নগাঁও জিলাৰ ননৈ গাৰ্লছ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী অধ্যাপক যৌৱন কুমাৰ দাস। গুণোৎসৱৰ এই সময়ত ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক আৰু পৰিচালনা সমিতিৰ সদস্য-সদস্যাৰ সহযোগত সুচাৰুৰূপে পৰিচালনা হয় আজিৰ এই গুণেৎসৱ। বিদ্যালয়ৰ গুণোৎসৱত বিশেষভাৱে সহযোগিতা আগবঢ়ায় পৰিচালনা সমিতিৰ সভাপতি চেলিম আহমেদ লস্কৰ, ন'ডেল শিক্ষক বুৰহান উদ্দিন তালুকদাৰ, ডবকা মধ্য ইংৰাজী বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফখৰ উদ্দিন চৌধুৰী, হিন্দী শিক্ষক সামছ উদ্দিন বড়ভূঞা, আজিজুৰ ৰহমানে। গুণোৎসৱৰ সময়ত বিদ্যালয়খনৰ পৰিস্কাৰ পৰিছন্নতা, ছাত্ৰ-ছাত্ৰীৰ শান্তি-শৃংখলা আৰু নিয়মানুবৰ্তিতা দেখি নিৰীক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ শলাগ লয়।

# প্ৰিমিয়াৰ চেম্পিয়নশ্বিপ এথলেটিকে পৰাভূত কৰিলে অম্লান গোষ্ঠীক

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২১ জানুৱাৰীঃ** অসম ক্ৰিকেট সন্থাৰ সৌজন্যত নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সপ্তম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজিৰ খেলত কামপুৰ ষ্টুডেন্ট এথলেটিক ক্লাবে অম্লান গোষ্ঠীক ৯১ ৰাণত পৰাজিত কৰে। খেলখনত কামপুৰ ষ্টুডেন্ট এথলেটিক ক্লাব দলটোৱে পোনতে বেট ধৰি প্ৰাণজিত বৰাৰ ৬৩, হিমাংশু ৰামচিয়াৰীৰ অপৰাজিত ৪৭ আৰু ফুলসিং বৰদলৈৰ ৪২ ৰাণৰ উল্লেখনীয় অৱদানৰে ৪০ অভাৰত সাতটা উইকেটৰ বিনিময়ত ১৯৬ ৰাণ সংগ্ৰহ কৰে। বলিঙত অম্লান গোষ্ঠীৰ হৈ ৰিটম বৰা আৰু বিশাল দাসে দুটাকৈ, বিকাশ পৰাশৰ আৰু দীপজ্যোতি গোস্বামীয়ে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত অম্লান গোষ্ঠী দলটোৱে ৰিটম বৰাৰ ২৪ আৰু ভাষ্য ভাৰ্শীষ শৰ্মাৰ ২০ ৰাণৰ উল্লেখনীয় বৰঙণি স্বত্বেও ২৩.৩ অভাৰতে সকলোকেইটা উইকেট হেৰুৱাই ১০৫ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত কামপুৰ ষ্টুডেন্ট এথলেটিক ক্লাবৰহৈ হিমাংশু ৰামচিয়াৰীয়ে চাৰিটা, প্ৰাণজিত বৰাই তিনিটা, অধিনায়ক চিৰঞ্জীৱ দাসে দুটা আৰু চিৰঞ্জীৱ কৌশিকে এটা উইকেট দখল কৰে। নাৰায়ণ ৰাহা আৰু ছাবিৰ আহমেদ আম্পায়াৰৰূপে থকা খেলখনৰ অন্তত ক্ৰীড়া সংগঠক দেৱজিৎ দাসে আঁত ধৰা অনুষ্ঠানত কামপুৰ ষ্টুডেন্ট এথলেটিক ক্লাবৰ হিমাংশু ৰামচিয়াৰীক প্ৰাক্তন ক্ৰিকেটাৰ ইয়াদিন ইছলামে প্লেয়াৰ অব দ্যা মেচৰ বঁটা বিতৰণ কৰে।

# দুমুনিচকীত ‘পোহৰ’ৰ কেৰম প্ৰতিযোগিতা

**ই-সংবাদ, দুমুনিচকী, ২১ জানুৱাৰীঃ** দৰং জিলাৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান দুমুনিচকীস্থিত 'পোহৰ' এন জি অৰ উদ্যোগত দিবা-নৈশ প্ৰাইজমানি একক কেৰম খেল প্ৰতিযোগিতাৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। অহা ২৪, ২৫ আৰু ২৬ জানুৱাৰীত দুমুনিচকী চ'কতে অনুষ্ঠিত হ'বলগা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১৫০০১ টকাৰ লগতে ট্ৰফী। দ্বিতীয় পুৰস্কাৰ ৮০০১ টকাৰ লগতে লগতে ট্ৰফী। আনহাতে শ্ৰেষ্ঠ খেলুৱৈক নগদ ধনৰ লগতে ট্ৰফী প্ৰদান কৰা হ'ব। যোগদান কৰিব বিচৰা সকলে ৬৯০১৯৯৬০৫৩/ ৯৮৬৪৮৬৬৭১৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। ক্ৰীড়া প্ৰেমী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰা হৈছে।



কোৱালালামপুৰত অনুষ্ঠিত ১৯ অনুৰ্ধ্ব মহিলা বিশ্বকাপত মালয়েছিয়াৰ উইকেট দখলৰ পিছত উল্লাস ভাৰতৰ আয়ুষী শুকলাৰ

## কোৱাৰ্টাৰ ফাইনেলৰ ৰুদ্ধশ্বাস মেচে দিলে ফাইনেলৰ উন্মাদনা

# অষ্ট্ৰেলিয়ান অ'পেনৰ ছেমিফাইনেলত প্ৰৱেশ জ'কভিচৰ

**মেলবৰ্ণ, ২১ জানুৱাৰীঃ** অষ্ট্ৰেলিয়ান অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত ইতিহাসৰ অন্যতম শ্ৰেষ্ঠ টেনিছ মেচৰ সাক্ষী হ'ল সমগ্ৰ বিশ্ব। মেলবৰ্ণৰ ৰড লেভাৰ এৰিনাত অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলখনত ২১ বৰ্ষীয় স্পেনিছ প্লেয়াৰ কাৰ্লোছ আলকাৰাজৰ মুখামুখি হয় ২৪টা গ্ৰেণ্ড শ্লেম বিজয়ী ছাৰ্বিয়ান তাৰকা ন'ভাক জ'কভিচ। ৰুদ্ধশ্বাস এই খেলখনত অৱশেষত ৬-৪, ৪-৬, ৬-৩, ৬-৪ স্ক'ৰত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে জ'কভিচে। প্ৰথম ছেটত জ'কভিচে কিছু সময়ৰ বাবে ৪-৩ স্ক'ৰত আগবাঢ়িছিল যদিও ভৰিৰ আঘাতৰ বাবে মেডিকেল ব্ৰেক লয় আৰু তাৰ পিছত কিছু ছন্দ হেৰুওৱা পৰিলক্ষিত হয়। সুযোগ গ্ৰহণ কৰি আলকাৰাজে প্ৰথম ছেটটো ৬-৪ স্ক'ৰত জয়লাভ কৰে। অৱশ্যে জ'কভিচে অতি সোনকালে প্ৰত্যাৱৰ্তন কৰি দ্বিতীয় ছেটত ৩-১ স্ক'ৰত আগবাঢ়ি থাকে। অৱশ্যে আলকাৰাজেও দৰ্শনীয় প্ৰদৰ্শনেৰে ৪-৪ স্ক'ৰত সমতা স্থাপন কৰে যদিও অৱশেষত অভিজ্ঞ জ'কভিচে ৬-৪ স্ক'ৰত ছেটটো জয় কৰি সমতা ঘূৰাই আনে। তৃতীয় ছেটত জ'কভিচে নিজৰ শক্তি আৰু অধিক শক্তিশালীভাৱে প্ৰমাণ কৰিলে। তেওঁ একেৰাহে দুটা ব্ৰেক পইণ্টেৰে ৬-৩ স্ক'ৰত ছেট জয় কৰি মেচখনৰ নিয়ন্ত্ৰণ লয়। তাৰ পিছত চতুৰ্থ ছেটত ৬-৪ স্ক'ৰত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ নিশ্চিত কৰে। ইফালে কোৱাৰ্টাৰ ফাইনেলত দুই তীব্ৰ প্ৰতিদ্বন্দ্বীৰ এই ৰোমাঞ্চকৰ যুঁজখন দেখি দৰ্শক স্তম্ভিত হৈ পৰে। কিন্তু ছেমিফাইনেলত জ'কভিচৰ সন্মুখত আছে আন এক কঠিন প্ৰত্যাহ্বান। ছেমিফাইনেলত তেওঁৰ প্ৰতিদ্বন্দ্বী হৈছে জাৰ্মানীৰ আলেকজেণ্ডাৰ ঝভেৰেভ। ৩৭ বছৰীয়া জ'কভিচে এতিয়া ২৫ সংখ্যক গ্ৰেণ্ড শ্লেম জয় কৰিব পাৰিব নে নাই সেয়া লক্ষ্যণীয় হ'ব।

# বালাজান তিনালীত চুৰিকাণ্ড, ২৪ ঘণ্টাই নিৰাপত্তৰক্ষী মোতায়নৰ দাবী ব্যৱসায়ী সন্থাৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২১ জানুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ বালাজান তিনালীৰ কেবাখনো ব্যৱসায়িক প্ৰতিষ্ঠানত কালি নিশা চুৰিকাণ্ড সংঘটিত হয়। বালাজান তিনালীৰ জলি ফাৰ্টিলাইজাৰ, দীপক মেডিকেল, ধৰণী এণ্টাৰপ্ৰাইজৰ পৰা চোৰে নগদ ধন লৈ যায়। আনহাতে চোৰে আন দুখন ব্যৱসায়িক প্ৰতিষ্ঠানতো চুৰি কৰাৰ চেষ্টা চলাইছিল যদিও ব্যৰ্থ হয়। জলি ফাৰ্টিলাইজাৰ স্বত্বাধিকাৰী সুব্ৰত সেনে জনোৱা মতে জী-জোঁৱাইৰ স্বাস্থ্যজনিত সমস্যাৰ বাবে তেওঁ বঙাইগাঁৱলৈ গৈছিল আৰু বিক্ৰী হোৱা প্ৰায় ১ লাখ ৩৫ হাজাৰ টকা তেওঁৰ লৰাই কেচবক্সতে এৰি থৈ ঘৰলৈ যায়। আজি ৰাতিপুৱা দোকান খুলিব গৈ চুৰিকাণ্ডৰ ঘটনা পোহৰলৈ আহে। দোকানৰ চি চি কেমেৰাত আৱদ্ধ হোৱা চি চি কেমেৰাৰ ভিজুৱেল অনুসৰি চোৰটো হাফপেণ্ট পৰিধান কৰি মুখত মাস্ক লগাই দোকানৰ ভিতৰত প্ৰৱেশ কৰিছিল। ড্ৰয়াৰ ভাঙি প্লাষ্টিকৰ পলিথিনত টকাখিনি সোমাই চোৰ উধাও হয়। আনহাতে দীপক মেডিকেল আৰু ধৰণী এণ্টাৰপ্ৰাইজৰ পৰা চোৰে দোকানৰ ড্ৰয়াৰত থকা সামান্য টকা, খুচুৰা পইচা লৈ উধাও হয়। উল্লেখ্য যে বহু হিংসাত্মক ঘটনাৰ সাক্ষী বালাজান তিনালীত ২০১৬ চনৰ পাঁচ আগষ্টত দুৰ্স্কৃতিকাৰীয়ে ১৬ জনকৈ নিৰীহ লোকক দিন-দুপৰতে গুলীয়াই হত্যা কৰাৰ উপৰিও বহুসংখ্যক লোকক গুলীয়াই আহত কৰিছিল। তেতিয়াৰে পৰা ২৪ ঘণ্টাই বালাজান তিনালীত নিৰাপত্তাৰক্ষী মোতায়ন হৈ আছিল। কিন্তু যোৱা দুবছৰমানৰ পৰা অকল দিনৰ ভাগত হে বালাজান উপ আৰক্ষী চকীৰ পৰা মাত্ৰ এজন কনিষ্টবলে বালাজান তিনালীত কৰ্তব্য সমাপন কৰি আহিছে। নিশাৰ ভাগত কোনোধৰণৰ পহৰাৰ ব্যৱস্থা নথকাৰ সুযোগ লৈ বালাজান তিনালীত চোৰৰ উপদ্ৰৱ বৃদ্ধি পাইছে। বালাজান তিনালী ব্যৱসায়ী সন্থাৰ সভাপতি ধনঞ্জয় নাথ আৰু সম্পাদক দৰবিন্দ বসুমতাৰীয়ে বালাজান তিনালীত পুনৰাই ২৪ ঘণ্টাই নিৰাপত্তাৰক্ষীৰ দ্বাৰা পহৰাৰ ব্যৱস্থা কৰিবলৈ আৰক্ষী প্ৰশাসনৰ প্ৰতি আহ্বান জনাইছে। বালাজান তিনালীৰ চুৰিকাণ্ডক লৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও বৰ্তমানলৈ কোনো অপৰাধীৰ সন্ধান পোৱা নাই বুলি বালাজান উপ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দ্ৰামিকা নেওঁগে সদৰি কৰিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি